# ষষ্ঠ অধ্যায়

# লেখক আৰু পাঠকৰ মনস্তত্ত্বৰ প্ৰসংগেৰে মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাস

## ষষ্ঠ অধ্যায়

# লেখক আৰু পাঠকৰ মনস্তত্ত্বৰ প্ৰসংগেৰে মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাস

### ৬.০১ মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসত ঔপন্যাসিকাৰ মনস্তত্ত্বৰ প্ৰসংগ ঃ

সাহিত্যিক পাঠ সৃষ্টিৰ সৈতে সাহিত্যিক এজন মানসিকভাৱে সংপৃক্ত হৈ থাকে। ফলস্বৰূপে সাহিত্যিকৰ জীৱন বিষয়ক ব্যক্তিগত অভিজ্ঞতা, মানসিক আঘাত, যৌন মনস্তাত্ত্বিক জটিলতা আদি বিষয়সমূহ পাঠত প্ৰৱেশ লাভ কৰাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি। সেয়েহে সাহিত্যিক পাঠত সাহিত্যিকৰ মনস্তাত্ত্বিক দিশৰ প্ৰতিফলন বহুসময়ত এক বিচাৰ্য বিষয় হৈ পৰে। ব্যক্তি নিৰ্বিশেষে অৱচেতন মনৰদ্বাৰা পৰিচালিত হোৱা কথাষাৰ বিভিন্ন সময়ত মনস্তত্ত্ববিদসকলে প্ৰতিপন্ন কৰি আহিছে। ব্যক্তিৰ আচাৰ-আচৰণ সমগ্ৰতে অৱচেতন মনে প্ৰাধান্য লাভ কৰে। সেইগতিকে সৃষ্টিশীল সাহিত্যতো লেখকৰ অৱচেতনা ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰা পৰিলক্ষিত হয়— “মানুহৰ আচৰণ স্পষ্টকৈ বৰ্ণনা কৰা যিকোনো সাহিত্যিক পাঠতেই লেখকৰ অৱচেতনাই ক্ৰিয়া কৰি থাকে।”[১] সৃষ্টিশীল সাহিত্য হৈছে বাস্তৱ অভিজ্ঞতা আৰু কল্পনাৰ সংমিশ্ৰণত গঢ় লৈ উঠা এক চমকপ্ৰদ সৃষ্টি। সাহিত্যিক এজনৰ শৈশৱ তথা জীৱনৰ অপূৰণীয় আশা-আকাংক্ষাৰ প্ৰকাশ ঘটে তেওঁৰ দ্বাৰা সৃষ্ট সাহিত্যৰ মাধ্যমেৰে। সাহিত্য হ'ল ব্যক্তিৰ মনস্তত্ত্ব প্ৰকাশৰ অন্যতম প্ৰধান মাধ্যম। ইয়াৰ জৰিয়তে সাহিত্যিকৰ অৱদমিত অপূৰ্ণ বিষয়সমূহে পূৰ্ণতাৰ পথ বিচাৰি লয়। বহুসময়ত ব্যক্তিয়ে নিজৰ অন্তৰত থকা ইচ্ছা, আৱেগ-অনুভূতি প্ৰকাশৰ সুযোগৰ পৰা বঞ্চিত হয়। বিভিন্ন সামাজিক-সাংস্কৃতিক কাৰক তথা পৰিৱেশ পৰিস্থিতিয়ে এইক্ষেত্ৰত বাধাৰ প্ৰাচীৰ গঢ়ি তোলে। ইয়াৰ পৰিণতিত মনৰ নিভৃত কোণত অপ্ৰকাশিত বিষয়সমূহ অৱদমিত হৈ ৰৈ যায়। অৱদমিত বিষয়সমূহৰ পৰৱৰ্তী সময়ত সুৰুঙা বুজি বহিৰ্প্ৰকাশ ঘটে। ছবি, গীত, কবিতা, গল্প, নাটক, উপন্যাস আদি ক্ষেত্ৰসমূহত এনেধৰণৰ প্ৰকাশ অনুধাৱন কৰিব পৰা যায়। লেখকৰ মনস্তত্ত্বৰ ওপৰত গুৰুত্ব প্ৰদান কৰি এতিয়ালৈকে বহুতো সাহিত্যিক পাঠৰ বিচাৰ-বিশ্লেষণ কৰি থকা হৈছে। সৃষ্টিশীল সাহিত্য ৰচনাৰ ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়োৱা ভাৰ্জিনিয়া উলফ্‌আৰু কাফকাৰ ৰচনাৰাজীৰো এইধৰণৰ বিশ্লেষণে সাহিত্যিক দুগৰাকীৰ মনস্তাত্ত্বিক দিশ কিছুমান পোহৰলৈ আনিছে—“১৯৮৯ চনত প্ৰকাশিত লুই দ্য চালভ'ৰ (Louise de salvo) Virginia Woolf: The Impact of

Childhood Sexual Abuse on her Work ৰচনাখনত উলফ্‌ৰ শৈশৱৰ অভিজ্ঞতা আৰু পৰৱৰ্তী ৰচিত সাহিত্যৰ মাজত প্ৰত্যক্ষ যোগসূত্ৰৰ উদ্ভাৱন কৰা পৰিলক্ষিত হয়। পিতৃৰ সৈতে থকা কাফকাৰ সম্পৰ্কৰ জটিলতাই তেওঁৰ প্ৰায়বোৰ ৰচনাতে প্ৰকাশ পোৱাতো সৰ্বজনবিদিত।"[২]

উপন্যাস বাস্তৱ আৰু কল্পনাৰ এক মিশ্ৰিত সৃজন। জীৱন আৰু জগত সম্পৰ্কে ঔপন্যাসিকে আহৰণ কৰা অভিজ্ঞতাই উপন্যাস এখনক সমৃদ্ধ কৰে। বৈচিত্ৰ্যপূৰ্ণ জগতত মানুহৰ জীৱন বিষয়ক অভিজ্ঞতাও বিচিত্ৰ। প্ৰত্যেকজন ব্যক্তিয়ে জীৱন আৰু জগত বা সমাজক মূল্যায়ণ কৰা দৃষ্টিও সুকীয়া হয়। উপন্যাসৰ পাতত ঔপন্যাসিকৰ জীৱন আদৰ্শ প্ৰকাশ পায়। জীৱন সম্পৰ্কে ঔপন্যাসিকে অৰ্জন কৰা অভিজ্ঞতাৰ আধাৰত তেওঁৰ চেতনাত কিছুমান ধাৰণাৰ উদয় হয়। এই ধাৰণাবোৰেই এক আদৰ্শৰ ৰূপ গ্ৰহণ কৰি ৰচনাত প্ৰতিফলিত হয়। সৃষ্টিশীল সাহিত্যৰ ক্ষেত্ৰত লেখকৰ গুৰুত্ব অনস্বীকাৰ্য—"কলা লেখকৰ আত্মপ্ৰকাশৰ মাধ্যম। উপন্যাসো এবিধ কলা বাবেই ইয়াৰ মাজেদি ঔপন্যাসিকে আত্মপ্ৰকাশ কৰে।"[৩]

উপন্যাস এখন লিখাৰ সময়ত ঔপন্যাসিক এজনে বিভিন্ন ক্ষেত্ৰৰ পৰা সমল সংগ্ৰহ কৰিব পাৰে। ঠিক সেইদৰে ঔপন্যাসিক এজনে সঞ্চয় কৰা অভিজ্ঞতাৰ উৎসও ভিন্ন হ'ব পাৰে। ব্যক্তিগত জীৱনৰ উপৰিও বিভিন্ন উৎসৰ পৰা লাভ কৰা অভিজ্ঞতাই ঔপন্যাসিকৰ চিন্তা-চেতনা প্ৰখৰ কৰি তোলে—"মূল অনুসৰি লেখকৰ অভিজ্ঞতাক দুটা ভাগত ভগোৱা হয়- প্ৰত্যক্ষ অভিজ্ঞতা আৰু পৰোক্ষ অভিজ্ঞতা। লেখকে নিজ চকুৰে দেখা বা নিজস্ব হিচাপে লাভ কৰা অভিজ্ঞতাকে প্ৰত্যক্ষ অভিজ্ঞতা আৰু কিতাপৰ পৰা পোৱা বা আনৰ মুখৰ পৰা শুনি লাভ কৰা অভিজ্ঞতাক পৰোক্ষ অভিজ্ঞতা বুলিব পাৰি।"[৪] পৰোক্ষ অভিজ্ঞতাতকৈ লেখকৰ প্ৰত্যক্ষ অভিজ্ঞতাই উপন্যাসৰ মানদণ্ড উন্নত কৰি তোলে। লেখকৰ বাস্তৱ অভিজ্ঞতাৰ গুৰুত্ব সৰ্বাধিক। কিয়নো বহুসময়ত দেখা যায় যে আনৰ মুখত শুনা বা কিতাপত পঢ়া বিষয়ত কৈ নিজে প্ৰত্যক্ষ কৰা বা লাভ কৰা বিষয়সমূহে মনত সক্ৰিয়ভাৱে ক্ৰিয়া কৰে। ই মানুহক বিশেষধৰণৰ এক চেতনাৰে আলোড়িত কৰি ৰাখে। উপন্যাস এখন সাৰ্থক হ'বলৈ হ'লে বিষয়বস্তুৰ মানদণ্ড উন্নত হোৱাৰ লগতে তাৰ লগত ঔপন্যাসিকজন নিবিড়ভাৱে সংপৃক্ত হোৱাটো খুবেই প্ৰয়োজনীয়—

> অৰ্থাৎ ভাল কথাবস্তুৰ পৰাও ভাল উপন্যাস নহ'ব পাৰে যদিহে লেখকে সেই কথাবস্তুক সুবিহিতভাৱে প্ৰয়োগ কৰিব নোৱাৰে। গতিকে ভাল কথাবস্তুৰ উপৰি উপন্যাসৰ সৃষ্টিত আৰু দুটা আনুষঙ্গিক উপাদানৰ কথা আহি পৰে- সি হ'ল লেখকৰ ৰচনা নৈপুণ্য আৰু কাৰিকৰি-চাতুৰ্য। ইয়াৰ উপৰি লেখকৰ থাকিব লাগিব জীৱনৰ

> বিচিত্ৰ আৰু বাস্তৱ অভিজ্ঞতা। ব্যক্তিগত অভিজ্ঞতা অবিহনে ৰচনা-নৈপুণ্য আৰু কাৰিকৰি-চাতুৰ্যয়ো একো কাজ দেখুৱাব নোৱাৰে। উপন্যাস কাল্পনিক সাহিত্য, সেইবুলি অবাস্তৱ নহয়। সেইকাৰণে মানৱ জীৱনৰ লগত সম্পৰ্কৰহিত কোনো উপন্যাসে শ্ৰেষ্ঠ বুলি পৰিগণিত হ'ব নোৱাৰে। যি ধৰণৰ জীৱনৰ কথাকে বৰ্ণনা নকৰক, সেই জীৱনৰ লগত ঔপন্যাসিকৰ নিবিড় পৰিচয় থকা বাঞ্চনীয়।[৫]

উপন্যাস যিহেতু ঔপন্যাসিকৰ জীৱনৰ বিচিত্ৰ আৰু বাস্তৱ অভিজ্ঞতাৰ ফচল সেইগতিকে ইয়াত ঔপন্যাসিকৰ মানসিক জগতখনো ওতঃপ্ৰোতভাৱে জড়িত। উপন্যাসৰ মনস্তাত্ত্বিক বিশ্লেষণত উপন্যাসৰ চৰিত্ৰসমূহৰ মানসিক জগতখনৰ বিশ্লেষণ কৰাৰ লগতে ঔপন্যাসিকৰ মনস্তাত্ত্বিক দিশটোও বিশ্লেষণ কৰাৰ থল আছে। মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহত মনস্তাত্ত্বিক দিশৰ উপস্থাপন সৰ্বাত্মক ৰূপত ঘটিছে। তেওঁৰ প্ৰায়বোৰ উপন্যাসৰ বিষয়বস্তু বা চৰিত্ৰ নিৰ্মাণৰ বাস্তৱিক ভিত্তি আছে বুলি উপন্যাসসমূহৰ পাতনিত স্বীকাৰ কৰিছে। সেই অনুসৰি তেওঁৰ উপন্যাসমূহত মণিকুন্তলা ভট্টাচাৰ্যৰ মনস্তত্ত্বৰ উপস্থিতিৰ সম্ভাৱনাই প্ৰবল হৈ উঠে। ঔপন্যাসিকাৰ অতীতৰ অভিজ্ঞতা বা বাস্তৱ অভিজ্ঞতা, পৰিয়াল চক্ৰৰ প্ৰসংগ, অৱচেতন প্ৰৱণতা, যৌন মনস্তাত্ত্বিক ধাৰণাই উপন্যাসৰ বিষয়বস্তুৰ নিৰ্মিতি, চৰিত্ৰ ৰূপায়ণ আৰু ঘটনাক্ৰমত কিদৰে প্ৰভাৱ বিস্তাৰ কৰিছে সেয়া বিচাৰ্য বিষয়। আমাৰ এই অধ্যায়ত এইধৰণৰ দিশ কিছুমান সন্মুখত ৰাখি ঔপন্যাসিকাৰ মনস্তত্ত্বক তেওঁৰ নিৰ্বাচিত উপন্যাসমূহত অনুসন্ধান কৰিবলৈ প্ৰয়াস কৰা হ'ব।

### ৬.০১.০১ উপন্যাসৰ বিষয়বস্তুত প্ৰতিফলিত ঔপন্যাসিকাৰ মনস্তত্ত্ব ঃ

মণিকুন্তলা ভট্টাচাৰ্যৰ *বৰদোৱানী, মুক্তি, বাঁহী, চামিয়ানা, দস্তখত, অৰুন্ধতী, বন্ধ ঘৰৰ খিৰিকী* উপন্যাস বাস্তৱ অভিজ্ঞতাৰ আধাৰত ৰচিত হৈছে। (দ্ৰষ্টব্য ঃ উপন্যাসসমূহৰ পাতনি) শৈশৱ মানুহৰ জীৱনৰ এটা গুৰুত্বপূৰ্ণ অংশ। শৈশৱৰ অভিজ্ঞতা বা ঘটনা প্ৰবাহ মানুহৰ অৱচেতন মনত সঞ্চিত হৈ ৰৈ যায়। সুৰুঙা পালেই এই বিষয়সমূহ অৱচেতনাৰ সীমা অতিক্ৰম কৰি চেতনাত প্ৰৱেশ লাভ কৰে আৰু মানুহৰ আচাৰ-আচৰণ আৰু ক্ৰিয়া-কলাপত ভুমুকি মাৰে। ই সম্পূৰ্ণৰূপে মানুহৰ মনৰ লগত জড়িত। সেয়েহে মনস্তাত্ত্বিক অধ্যয়নত শৈশৱে বিশেষ গুৰুত্বতা লাভ কৰে। ঔপন্যাসিক এগৰাকীৰ শৈশৱৰ অভিজ্ঞতা কিছুমানো তেওঁৰ ৰচনাৰ জৰিয়তে প্ৰকাশ লাভ কৰাটো নিতান্তই স্বাভাৱিক। শৈশৱ সম্পৰ্কত মণিকুন্তলা ভট্টাচাৰ্যই এনেদৰে কৈছে— ''শৈশৱ মানুহৰ জীৱনৰ এক এৰাব নোৱাৰা অধ্যায়। শৈশৱ কালছোৱা বা অতীতক আমি আমাৰ

জীৱনৰপৰা কেতিয়াও বিচ্ছিন্ন কৰিব নোৱাৰোঁ। বহুসময়ত এনেকুৱা হয় যে শৈশৱতে পঢ়া কিছুমান অভিজ্ঞতা এতিয়াও লিখিবলৈ বহিলে স্বতঃস্ফুৰ্তভাৱে ওলাই আহে। সেইবিলাক কথা সঞ্চিত হৈ ৰৈ যায় নিজেই গম নোপোৱাকৈয়ে।"[৬]

ঔপন্যাসিকাই শৈশৱৰে পৰা অৱচেতন মনত কঢ়িয়াই লৈ ফুৰা বাস্তৱ অভিজ্ঞতাৰ *বৰদোৱানী* উপন্যাসত প্ৰকাশ ঘটিছে। শৈশৱতে তেওঁ ককাকৰ ঘৰত সন্মুখীন হোৱা ঘটনা এটাক অৱলম্বন হিচাপে লৈ উপন্যাসখনৰ বিষয়বস্তু ৰূপায়ণ কৰিছে। এই সম্পৰ্কে ঔপন্যাসিকাই কৈছে—

> বৰদোৱানী নগাওঁ জিলাৰ ধিং অঞ্চলৰ এখন গাঁৱৰ পৰিৱেশ লৈ লিখা হৈছে। তাত মোৰ ককা-আইতাৰ ঘৰ। মোৰ ককা আঠগাওঁ অঞ্চলৰ এজন মান্য ব্যক্তি আছিল। তেখেতৰ ওচৰলৈ গাঁৱৰ মানুহবোৰে বিভিন্ন ধৰণৰ গোচৰ নিষ্পত্তি আৰু সাহাৰ্য্য বিচাৰি আহিছিল। এদিন মই ককাৰ ওচৰত থাকোতে তেওঁৰ ওচৰলৈ এহাল মানুহ আহিছিল। তেওঁলোক স্বামী-স্ত্ৰী আছিল আৰু ইজনে আনজনৰ প্ৰতি অভিযোগ লৈ ককাৰ ওচৰলৈ আহিছিল। এই কথাটো মোৰ ভাল লগা নাছিল। তাৰপিছত এদিন খেলি থাকোঁতে দৌৰি দৌৰি গৈ মানুহ এঘৰৰ ঘৰত উপস্থিত হ'লো। তাত সেই মানুহজনে বেলেগ এগৰাকী নাৰীৰ সৈতে অতি নিবিড়ভাৱে বহি আছিল। সেইগৰাকী তেওঁৰ দ্বিতীয়া পত্নী বুলি পিছত মই জানিব পাৰিলোঁ। মোৰ মনত শৈশৱতে সেই কথাটোৱে এনেদৰে ক্ৰিয়া কৰিছিল যে স্বামী-স্ত্ৰীৰ দুখন চিত্ৰ মোৰ মনত সোমাই ৰ'ল। বছৰ বছৰ ধৰি ইয়াক মই অন্তৰত কঢ়িয়াই লৈ ফুৰিছিলোঁ। আৰু ইয়াৰ ফলতে বৰদোৱানীৰ সৃষ্টি।[৭]

ঔপন্যাসিকাৰ শিশু মনত স্বামী-স্ত্ৰীৰ মাজত হোৱা কাজিয়াখনে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। তেওঁৰ শিশু মনে কাজিয়া লাগি এহাল স্বামী-স্ত্ৰী পৃথক হোৱা ঘটনাটো গ্ৰহণ কৰিব পৰা নাছিল। সেই পুৰুষজনে প্ৰথমা পত্নী থকাৰ পিছতো দ্বিতীয় এজনীক বিয়া কৰাই আনি ঘৰ সুমুওৱা ঘটনাটো ঔপন্যাসিকাৰ অৱচেতন মনত শৈশৱতে ৰৈ গ'ল। সেয়েহে উপন্যাসৰ বিষয়বস্তু ৰূপায়ণত তেওঁ নিজস্বধৰণে তেওঁলোকৰ সম্পৰ্কত প্ৰেমৰ ৰহণ সানিলে। বাস্তৱত বৰদোৱানীৰ সৈতে ভাল সম্পৰ্ক নথকাৰ বাবে পুণ্যধৰে দ্বিতীয় বিবাহ কৰাইছিল। কিন্তু *বৰদোৱানী* উপন্যাসত ঔপন্যাসিকাই পুণ্যধৰক দ্বিতীয় বিবাহ কৰাবলৈ বাধ্য কৰালে। উপন্যাসখনত বৰদোৱানীৰ প্ৰতি পুণ্যধৰৰ নিঃস্বাৰ্থ প্ৰেম আছিল। নিঃসন্তান বৰদোৱানীৰ লগত পুণ্যধৰে সুখী বৈবাহিক জীৱন কটাইছিল। কিন্তু বৰদোৱানীৰ বন্ধ্যাত্বক পুণ্যধৰৰ মাক আৰু বায়েকহঁতে সহজভাৱে নোলোৱাতহে পুণ্যধৰে দ্বিতীয়

বিবাহ কৰিবলগীয়া হয়। সকলোৰে একান্ত ইচ্ছাত বাধ্য হৈ পুণ্যধৰে নিজৰ ইচ্ছাৰ বিৰুদ্ধে দ্বিতীয় বিবাহ কৰায়। দ্বিতীয় বিবাহৰ বাবে পুণ্যধৰক বাধ্য কৰোৱাৰ দৰে ৰেণুমাইৰ লগত সম্পৰ্ক স্থাপন কৰিবলৈকেও বাধ্য কৰিবলগীয়া হয়। বৰদোৱানীৰ কথামতেই ৰেণুমাইক বিয়া পতা পুণ্যধৰে বৰদোৱানীৰ ইচ্ছা ৰাখিবলৈকেই ৰেণুমাইৰ সৈতে দৈহিক সম্পৰ্ক স্থাপন কৰিছিল। নিজৰ আশা-আকাংক্ষাক অৱদমন কৰি এগৰাকী পত্নীয়ে স্বামীক অন্য নাৰীৰ কাষ চাপিবলৈ বাধ্য কৰোৱাৰ মৰ্মস্পৰ্শী প্ৰকাশ উপন্যাসখনত ঘটিছে। সময়ত পুণ্যধৰ আৰু ৰেণুমাইৰ এটি-এটিকৈ দুটি সন্তান উপজিল আৰু সন্তান দুটিক বৰদোৱানীয়েও নিজৰ সন্তানৰ দৰেই স্নেহ কৰিলে। বৰদোৱানীৰ ইচ্ছাত পুণ্যধৰ আৰু ৰেণুমাইয়ে পামত সাংসাৰিক জীৱন আৰম্ভ কৰিলে যদিও বৰদোৱানীৰ প্ৰতি পুণ্যধৰৰ মানসিক টান শেষ সময়লৈ বৈ গ'ল। সময়-সুযোগ পালেই পুণ্যধৰে বৰদোৱানীৰ ওচৰলৈ ঢপলিয়াই আহি বৰদোৱানীৰ সান্নিধ্য বিচাৰে। দ্বিতীয়া পত্নী, ল'ৰা-ছোৱালীক লৈ সংসাৰ ধৰ্ম পালন কৰাৰ সমানে বৰদোৱানীৰ প্ৰতিও দায়িত্বশীল হৈ ৰ'ল। এনেদৰেই উপন্যাসখনত বৰদোৱানী আৰু পুণ্যধৰৰ প্ৰেমৰ সম্পৰ্কক ৰূপায়ণ কৰা হৈছে।

ঔপন্যাসিকাই শৈশৱত প্ৰত্যক্ষ কৰা ঘটনাটোৰ এক সম্পূৰ্ণ পৃথক ৰূপৰ উপস্থাপন কৰিছে উপন্যাসখনত। কাৰণ স্বামী-স্ত্ৰীৰ নিচিনা সম্পৰ্ক এটা ভুল বুজা-বুজি বা কাজিয়াৰ মাজেৰে শেষ হোৱাটো তেওঁৰ আকাংক্ষিত নাছিল। ঔপন্যাসিকাৰ **অৱচেতন মন**ত ক্ৰিয়া কৰি থকা ঘটনাটোক তেওঁ বিচৰা ধৰণে সৃষ্টি কৰি মানসিক সন্তুষ্টি লাভ কৰিছে। ই ব্যক্তি মনস্তত্ত্বৰ লগত জড়িত এক উল্লেখনীয় দিশ। ব্যক্তিয়ে নিজৰ জীৱনত ঘটা ঘটনা বা বাস্তৱ অভিজ্ঞতাসমূহ অন্যৰ ক্ষেত্ৰতো প্ৰযোজ্য হোৱাটো বিচাৰে বা কেতিয়াবা নিজৰ জীৱনত ঘটা ঘটনাসমূহ আনৰ লগত যাতে নঘটে তাৰ বাবে সতৰ্ক থাকে। অৰ্থাৎ ই সমান আৰু বিপৰীতমুখী ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ জৰিয়তে পৰিপূৰ্তি সাধন কৰে। ইয়াৰ জৰিয়তে ব্যক্তিয়ে মনস্তাত্ত্বিক সন্তুষ্টি লাভ কৰে। বাস্তৱ জীৱনত ঔপন্যাসিকাই বৰদোৱানী আৰু পুণ্যধৰৰ মাজত প্ৰত্যক্ষ কৰা মানসিক দূৰত্বৰ ঠাইত উপন্যাসখনত আন্তৰিকতাৰ সৃষ্টি কৰিছে। বাস্তৱ ঘটনা এটাক ঔপন্যাসিকাই সম্পূৰ্ণ নিজস্ব ধৰণে গঢ়ি মানসিক সন্তুষ্টি লাভ কৰা পৰিলক্ষিত হৈছে। উপন্যাসখনত পুণ্যধৰে নিজ ইচ্ছাৰে ৰেণুমাইৰ কাষ চপা নাই। নিজ ইচ্ছাৰে বৰদোৱানীক প্ৰৱঞ্চনা বা বৰদোৱানীৰ লগত সম্পৰ্কৰ বিচ্ছেদ ঘটোৱাও নাই। অন্য এগৰাকী নাৰীৰ লগত পুনৰ সংসাৰ স্থাপন কৰিলেও জীৱনৰ শেষ সময় পৰ্যন্ত পুণ্যধৰে বৰদোৱানীৰ প্ৰতি সকলো কৰ্তব্য আৰু দায়িত্ব নিষ্ঠাৰে পালন কৰিছে। এনেদৰেই উপন্যাসখনৰ বিষয়বস্তু ৰূপায়ণৰ ক্ষেত্ৰত ঔপন্যাসিকাৰ মনস্তাত্ত্বিক দিশটোও সাঙোৰ খাই পৰিছে। মামণি ৰয়ছম গোস্বামীৰ

উপন্যাসতো ঔপন্যাসিকাৰ নিজস্ব মনস্তত্ত্বৰ প্ৰকাশ ঘটা পৰিলক্ষিত হৈছে। *নীলকণ্ঠী ব্ৰজ* উপন্যাসখনৰ বিষয়বস্তু আৰু চৰিত্ৰ নিৰ্মাণত ঔপন্যাসিকাৰ মানসিক অৱস্থাই ভুমুকি মাৰিছে। স্বামীক হেৰুৱাই নিঃসংগ আৰু হতাশাত জৰ্জৰিত হৈ পৰা ঔপন্যাসিকাৰ যন্ত্ৰণাময় জীৱন সৌদামিনীৰ যন্ত্ৰণাৰ সৈতে একাকাৰ হৈ পৰিছে। এই সম্পৰ্কত ঔপন্যাসিকাই স্বীকাৰোক্তি দিছে এনেদৰে—

> সেই সময়ত মই নিজে ভোগ কৰা যন্ত্ৰণাৰ ছবি মোৰ নায়িকা সৌদামিনীৰ চৰিত্ৰৰ মাজত সম্পূৰ্ণৰূপে ঢালি দিবলৈ চেষ্টা কৰিছিলোঁ। সৌদামিনীৰ মানসিক অৱস্থা তাইৰ যন্ত্ৰণা, ক্ষোভ, সমাজৰ কিছুমান মানুহৰ প্ৰতি বিষোদগাৰ, দ্বিতীয় প্ৰেমিকক সৰ্ব অন্তঃকৰণেৰে গ্ৰহণ কৰিব নোৱাৰাৰ গ্লানি আৰু এই গ্লানিয়ে আঙুলিয়াই দিয়া ধ্বংসৰ ভয়ংকৰ পথৰ কল্পনা মোৰ নিজৰ জীৱনৰ বাস্তৱৰ ভাবধাৰাৰ ভেটিত আঁকি দেখুওৱা হৈছিল। যুদ্ধ কৰিবৰ কাৰণে সাজু হৈছিলো যদিও সেই সময়ত আত্মহত্যাৰ ইচ্ছা বৰ ভয়ানক হৈ আহিছিল। নতুন জীৱন দিবলৈ অহা প্ৰেমিক শুভকাংক্ষীসকলৰ সান্ত্বনা গ্ৰহণ কৰি নিজৰ শিক্ষা আৰু জ্ঞানেৰে ভাবধাৰাক বশ কৰি জীয়াই থকাৰ শক্তি সঞ্চয় কৰা অসম্ভৱেই হৈ পৰিছিল। মনৰ সেই অৱস্থাৰেই মই সৌদামিনীৰ ছবি আঁকিছিলো। যদিও 'নীলকণ্ঠী ব্ৰজ'ক বৃন্দাবনৰ পটভূমিত ভাৰতীয় ভাষাত লিখা 'প্ৰথম উপন্যাস' বুলি ইন্সটিটিউট অৱ অৰিয়েন্টাল ফিলছফিৰ অধ্যক্ষ চৰণ বিহাৰী গোস্বামীদেৱে কৈছিল, তথাপিও মই ভালদৰে জানো যে ব্ৰজৰ সংস্কৃতিক মই সেইখন উপন্যাসত দেখুৱাবৰ চেষ্টা কৰা নাছিলোঁ। নায়িকাৰ মানসিক অৱস্থা আৰু সেই সময়ত মই নিজ চকুৰে দেখা মন্দিৰ কিছুমানৰ অৱস্থাৰ কথাহে বৰ্ণনা কৰিছিলোঁ।[৮]

সকলো ধৰণৰ সৃষ্টিশীল সাহিত্যিক পাঠতেই লেখকৰ জীৱন অভিজ্ঞতা তথা মনস্তাত্ত্বিক দিশৰ উপস্থিতি বিদ্যমান। লোকসাহিত্যৰ অন্যতম অংগ সাধুকথাসমূহৰ মাজেৰেও সাধু কওঁতাজনৰ এনেধৰণৰ মনস্তাত্ত্বিক দিশৰ বিচাৰ সম্ভৱ। ব্যক্তিৰ শৈশৱৰ অপূৰণীয় আকাংক্ষাৰ প্ৰকাশ ঘটে সাধুকথাৰ মাধ্যমেৰে। সাধাৰণতে সাধুকওঁতাজন বৃদ্ধ বা বয়স্ক ব্যক্তি হোৱা দেখা যায়। তেওঁৰ শৈশৱ তথা আগবয়সৰ অপূৰণীয় ইচ্ছাকাংক্ষা সকলো অৱদমিত হৈ ৰৈ যায়, যিবোৰ বাস্তৱত পূৰণ হোৱাৰ সকলো সম্ভাৱনাও ইতিমধ্যে শূন্য হৈ পৰে। তেনেস্থলত অপূৰণীয় আকাংক্ষাসমূহৰ সাধুকথাৰ মাধ্যমেৰে প্ৰতীকি ৰূপত প্ৰকাশ পোৱা পৰিলক্ষিত হয়। *বৰদোৱানী* উপন্যাসখনতো বাস্তৱত পুণ্যধৰ আৰু বৰদোৱানীৰ মাজত সৃষ্টি হোৱা দূৰত্বক মানসিক ডোলেৰে বান্ধি পেলাইছে।

উপন্যাসখনৰ বিষয়বস্তু ৰূপায়ণৰ ক্ষেত্ৰত এনেদৰেই ঔপন্যাসিকাৰ মনস্তাত্ত্বিক দিশটো বিচাৰি চাব পাৰি। শৈশৱৰ অভিজ্ঞতাক অৱলম্বন কৰিয়েই তেওঁ উপন্যাসখন নিৰ্মাণ কৰিছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ মাকৰ বৰদেউতাকে প্ৰথমা পত্নীৰ মৃত্যুৰ পিছত সন্তানক চোৱা-চিতা কৰিবৰ বাবে দ্বিতীয় বিবাহ কৰাইছিল। দ্বিতীয় গৰাকী মাকে সন্তান কেইটাক নিজৰ সন্তানৰ দৰেই মৰম-স্নেহেৰে প্ৰতিপালন কৰিছিল। ঔপন্যাসিকাই শৈশৱতে এই দৃশ্যসমূহ প্ৰত্যক্ষ কৰিছিল। সেইবোৰ দৃশ্য তেওঁৰ অৱচেতন মনত ৰৈ গৈছিল আৰু ডাঙৰ হৈ তাৰ আলমত উপন্যাসৰ বিষয়বস্তু নিৰ্মাণ কৰিছিল। এই সম্পৰ্কত ঔপন্যাসিকাই কৈছে—

> মোৰ বৰককা-বৰআইতাহঁতক মই দেখিছিলোঁ। বৰককাই সন্তান থকাৰ পিছতো বৰআইতা ঢুকুৱাত দ্বিতীয় এগৰাকীক বিয়া কৰাইছিল। দ্বিতীয় গৰাকীয়ে প্ৰথম গৰাকীয়ে এৰি থৈ যোৱা কেঁচুৱাকেইটাক এনেদৰে ডাঙৰ কৰিলে যে বহুত ডাঙৰলৈ সিহঁতে সেইগৰাকী সিহঁতৰ জন্মদাতৃ মাক নহয় বুলি গমেই পোৱা নাছিল। এই বিষয়টো মোৰ বহুত ভাল লাগিছিল আৰু তাৰ আধাৰতে *বাঁহী* উপন্যাসখন লিখিছিলোঁ।[৯]

সাধাৰণতে মাহীমাক অভিধা সম্পৰ্কত আমাৰ সমাজৰ মানুহে অতীজৰেপৰা এটি নেতিবাচক ধাৰণা পোষণ কৰি আহিছে। এগৰাকী নাৰীয়ে সতিনীৰ সন্তানক কেতিয়াও নিজৰ ল'ৰা-ছোৱালীৰ দৰে গ্ৰহণ কৰিব নোৱাৰে বুলি বহুতেই বিশ্বাস কৰে। আমাৰ সমাজত প্ৰচলিত লোককথাসমূহেও মাহীমাকৰ এখনি নেতিবাচক ছবিহে আমাক দেখুৱায়। য'ত মাহীমাকৰ অত্যাচাৰত ল'ৰা-ছোৱালীৰ জীৱন দুৰ্বিসহ হৈ পৰে। এইক্ষেত্ৰত 'তেজীমলাৰ সাধু'টোৰ কথা বিশেষভাৱে উনুকিয়াব পাৰি। এই বিষয়টো সমাজত এনেদৰে শিপাই আছে যে তাৰ বিপৰীত হোৱা দৃষ্টিগোচৰ হ'লে ব্যক্তি মনত প্ৰথমে সন্দেহৰ অৱতাৰণাহে হ'ব। কিন্তু সমাজত এনে বহু নাৰী আছে যিয়ে সতিনীৰ সন্তানকো গোটেই জীৱন মাতৃত্বৰ উমেৰে বুকুত আকোঁৱালী লৈছে। শৈশৱতে প্ৰত্যক্ষ কৰা মাতৃ-পুত্ৰৰ এনে এখন ছবিয়ে ঔপন্যাসিকাৰ মনস্তত্ত্বত প্ৰভাৱ বিস্তাৰ কৰিছিল। যাৰফলত উপন্যাসৰ বিষয় হিচাপে সেই প্ৰসংগটোৰেই তেওঁৰ চেতনাৰে নিগৰি আহিছে। *বাঁহী* উপন্যাসখনত নয়নতৰা এনে এগৰাকী নাৰী যিয়ে সতিনীৰ সন্তানৰ দায়িত্ব পালন কৰিবলৈকেই স্বামীহীন ঘৰখনত চিৰদিনলৈ ৰৈ গৈছে। একমাত্ৰ যঁজা সন্তানহালক চোৱা-চিতা কৰিবৰ বাবেই মৌজাদাৰে নিজতকৈ বহু বছৰে সৰু নয়নতৰাক বিয়া পাতিছিল। মাক আৰু খুড়াকক দায়িত্বৰ পৰা মুক্ত কৰি দিবলৈকে নয়নতৰাই প্ৰথমা পত্নীৰ মৃত্যু হোৱা মধ্য বয়সীয়া মৌজাদাৰৰ লগত বিয়াত বহিলে যদিও বিয়াৰ পিছতেই

মৌজাদাৰৰ সন্তানৰ প্ৰতি নয়নতৰাৰ অন্তৰত মাতৃস্নেহ উঠলি উঠিছিল। বিয়াৰ প্ৰথম নিশাতেই গাভৰু নয়নতৰা এগৰাকী দায়িত্বশীল মমতাময়ী মাক হৈ পৰিল। গোটেই নিশা কেঁচুৰাটিয়ে তিয়োৱা কাপোৰ সলালে, উজাগৰে থাকি মাতৃহীন সন্তানটিক বুকুৰ উমেৰে আৱৰি ৰাখিলে। এনেদৰেই সন্তান-দুটিক কেন্দ্ৰ কৰিয়েই নয়নতৰাৰ বিবাহিত জীৱনৰ দিন-ৰাতিবোৰ ঘূৰিছিল। আনকি মৌজাদাৰৰ মৃত্যুৰ পিছতো যঁজাহালিৰ প্ৰতি থকা মৰম আৰু কৰ্তব্যৰ বাবেই তাই সেই ঘৰখনত ৰৈ গৈছিল। মহাজনৰ শ্ৰাদ্ধ-কৰ্ম আদি হৈ যোৱাৰ পিছত আইতাক আৰু ভনীয়েক হীৰাই যেতিয়া তাইক ঘৰলৈ উভতি যোৱাৰ কথা কৈছিল তাই সেই কথাৰ বিৰোধিতা কৰিছিল। ইয়াৰ কাৰণ আছিল একমাত্ৰ মৌজাদাৰৰ সন্তান দুটি।

ঔপন্যাসিকাই শৈশৱতে বৰককাকৰ দ্বিতীয় পত্নীগৰাকীৰ ল'ৰা-ছোৱালীকেইটাৰ প্ৰতি থকা প্ৰেম দেখি যি অভিজ্ঞতা হৈছিল সেয়া তেওঁৰ মনস্তত্ত্বক প্ৰভাৱিত কৰিছিল। উপন্যাসখনৰ বিষয়বস্তুৰ ৰূপত সেই বিষয়টোৱে সেয়েহে প্ৰাধান্য লাভ কৰিছে। *বাঁহী* উপন্যাসত ঔপন্যাসিকাৰ শৈশৱৰ অভিজ্ঞতাৰ লগতে ঘটনাক্ৰমত তেওঁ ডাঙৰ হৈ লাভ কৰা অভিজ্ঞতাইও ভুমুকি মাৰিছে। উপন্যাসখনত সাতাৱন্ন বছৰত মৌজাদাৰৰ আকস্মিক মৃত্যু ঘটে। গৰ্ভৱতী নয়নতৰাই মৌজাদাৰৰ আকস্মিক বিয়োগত মৰ্মাহত হৈ পৰিছিল। মৌজাদাৰৰ মৃত্যুৰ পিছত নয়নতৰাই পোৱা মৌজাদাৰৰ জন্মপত্ৰিকাখনিত তেওঁৰ জীৱনত ঘটা প্ৰতিটো ঘটনা স্পষ্টকৈ উল্লেখ কৰা আছে। তাত তেওঁৰ মৃত্যুৰ সময়ো নিৰ্দিষ্ট কৰা আছে। মৌজাদাৰে নিজৰ সম্ভাব্য মৃত্যু সম্পৰ্কে আগতীয়াকৈ জানিছিল। তৎসত্ত্বেও তেওঁ নয়নতৰা নামৰ কোমল বয়সীয়া ছোৱালীজনীক বিয়া পাতি আনিছিল। নিজৰ সন্তান দুটিৰ ভৱিষ্যতৰ বাবেই আন এগৰাকী নাৰীক অনিশ্চিত ভৱিষ্যতলৈ ঠেলি দি মৌজাদাৰে চৰম নিষ্ঠুৰতাৰ পৰিচয় বহন কৰিছে। মৌজাদাৰৰ স্বাৰ্থপৰতা তথা বিশ্বাসঘাটকতাই সন্তানসম্ভৱা নয়নতৰাৰ মানসিকতাক পুনৰ এবাৰ আঘাত হানিছে। উপন্যাসখনত বৰ্ণিত এই ঘটনা বাস্তৱ। ঔপন্যাসিকাৰ ভনীয়েক এজনীয়ে বাস্তৱতে এনে পৰিস্থিতিৰ সন্মুখীন হৈছিল। এইবোৰ কথা ভনীয়েকৰ মুখেৰে ঔপন্যাসিকাই শুনি মানসিক যন্ত্ৰণাত ভুগিছিল। এই সম্পৰ্কে ঔপন্যাসিকাই কৈছে—

> মোৰ এজনী ভন্টী হঠাৎ বিধৱা হৈছিল। গিৰীয়েক ঢুকুৱাৰ পিছত ঘৰত কিবা-কিবি বিচাৰি থাকোঁতে তাই মৃত গিৰীয়েকৰ জন্ম পত্ৰিকাখনি লাভ কৰিছিল। আচৰিত ধৰণে তাত তেওঁৰ আয়ুস ৪০ বছৰ লিখা আছিল আৰু তাৰ তলত দাগ দি ৰখা হৈছিল। তেতিয়া তাই মোক কৈছিল যে তাইৰ গিৰীয়েকৰ অভিভাৱকসকলে

আগতেই গম পাইছিল তেওঁলোকৰ পুত্ৰৰ বেছি দিন আয়ুস নথকাৰ কথাটো। তাৰপিছতো তেওঁলোকে তাইক বিয়া পাতি নিলে। এই কথাটোৱে মোক বহুত দুখ দিছিল। উপন্যাসখন লিখি থাকোঁতে ভিতৰৰ আঘাতখিনি গলি গলি ওলাই গৈছিল। উপন্যাসখনত এইবোৰ কথা লিখিম বুলি ভাবি মই লিখা নাছিলোঁ। বৰককা-বৰআইতাহঁতৰ কথাবোৰো মই শৈশৱতে দেখা যদিও ইমান বছৰে মই সেইবোৰ বুকুত কঢ়িয়াই লৈ ফুৰিছোঁ। মই যিবোৰ কথাৰ সন্মুখীন হৈছিলোঁ বা যিবোৰ কথাত আঘাত পাইছিলোঁ বা যিবোৰ কথাত আচৰিত হৈছিলোঁ, সেই আশ্চৰ্যবোধ, আঘাত আৰু পুতৌ মিলি *বাঁহী* উপন্যাসখনৰ সৃষ্টি হৈছিল।[১০]

**পৰিয়াল চক্ৰ**ৰ প্ৰসংগই মনস্তাত্ত্বিক অধ্যয়নত বিশেষ গুৰুত্ব লাভ কৰে। এই কথা ফ্ৰয়েডেও স্বীকাৰ কৰি থৈ গৈছে। এই বিষয়ে প্ৰথম অধ্যায়ত ইতিমধ্যে আলোচনা আগবঢ়োৱা হৈছে। পৰিয়ালত লাভ কৰা অভিজ্ঞতাই ব্যক্তিৰ মনস্তাত্ত্বিক দিশত প্ৰভাৱ বিস্তাৰ কৰে। উল্লেখযোগ্য যে পৰিয়ালৰ অভিজ্ঞতা বুলিলে কেৱল নিজৰ পৰিয়াল বা নিজৰ ব্যক্তিগত জীৱনত ঘটা অভিজ্ঞতাই একমাত্ৰ নহয়। পৰিয়াল চক্ৰৰ ধাৰণাটো বিস্তৃত পৰিসৰৰ। ব্যক্তিৰ নিজৰ জীৱনৰ লগতে ওচৰে-পাজৰে দেখি থকা ঘটনা প্ৰবাহ, ওচৰ-চুবুৰীয়া, চিনাকী মানুহ, বন্ধু-বান্ধৱ আদিৰ জীৱনত ঘটা ঘটনা প্ৰবাহেও ব্যক্তিৰ মনস্তত্ত্বত ক্ৰিয়া কৰিব পাৰে। ঔপন্যাসিকৰ মনস্তাত্ত্বিক দিশৰ বিশ্লেষণৰ ক্ষেত্ৰতো কেৱল ঔপন্যাসিকজনৰ জীৱনত ঘটা ঘটনা প্ৰক্ৰিয়াই যথেষ্ট নহয়। ঔপন্যাসিকৰ পৰিয়াল চক্ৰৰ অভিজ্ঞতা নিজৰ পৰিয়ালকে আদি কৰি তেওঁৰ ওচৰ-পাজৰে থকা মানুহখিনিক লৈয়ো গঠিত। মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসৰ বিষয়বস্তু নিৰ্মাণত ঔপন্যাসিকাৰ পৰিয়াল চক্ৰৰ লগত জড়িত এনেধৰণৰ অভিজ্ঞতাই প্ৰাধান্য লাভ কৰিছে।

এগৰাকী সৃষ্টিশীল সাহিত্যিক হিচাপে মণিকুন্তলা ভট্টাচাৰ্য সমাজ জীৱনৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। কাহিনীৰ খাতিৰত তেওঁ বিভিন্ন ঠাই ঘূৰিছে। নানা মানুহৰ সংস্পৰ্শত লাভ কৰিছে জীৱন বিষয়ক বিচিত্ৰ অভিজ্ঞতা। এই অভিজ্ঞতাসমূহ তেওঁৰ গোপন কক্ষত আচুতীয়াকৈ ৰৈ গৈছে। যিবোৰৰ কিছুমানে তেওঁক দুখবোধত আচ্ছন্ন কৰি ৰাখিছে। তেওঁৰ নিজৰ মাজতহে এনেধৰণৰ ঘটনা কিছুমানে মানসিক দ্বন্দ্বৰ সৃষ্টি কৰিছে। যিবোৰ ঘটনাই তেওঁৰ মানসিক জগতখনক তোলপাৰ লগাইছে সেই ঘটনাসমূহকে বিষয়বস্তু হিচাপে লৈ তেওঁ একো-একোখন উপন্যাসৰ সৃষ্টি কৰিছে। *মুক্তি, চামিয়ানা, বন্ধ ঘৰৰ খিৰিকী* হৈছে তেওঁ এনেধৰণৰ সমাজ জীৱনৰপৰা আহৰণ কৰা বাস্তৱ অভিজ্ঞতাৰ আধাৰত ৰচিত উপন্যাস। এই উপন্যাস কেইখনৰ মাজেৰে আনৰ দুখৰ

সমভাগী, যন্ত্ৰণাত পিষ্ট মণিকুন্তলা ভট্টাচাৰ্যৰ মনস্তত্ত্বৰ প্ৰকাশ ঘটা দেখিবলৈ পোৱা যায়। সমকামিতাক মূল বিষয় হিচাপে লৈ ৰচনা কৰা *মুক্তি* উপন্যাসখনত দেহ বিক্ৰী কৰি জীৱিকা অৰ্জন কৰা নাৰীসকলৰ জীৱন দুৰ্দশাৰ ছবি স্পষ্ট। মানুহে জীৱিকা অৰ্জনৰ বাবে বহুতো পন্থা হাতত লয়। বহু নাৰীয়ে দূৰ-দূৰণিৰ ঠাইৰ পৰা আহি কেৱল পেট প্ৰৱৰ্তন কৰাৰ বাবে বিভিন্ন বৃত্তিত নিয়োজিত হৈ আছে। তাৰ ভিতৰত এচাম দেহোপজিৱীনী আছে, যি সকলে আন কোনো পথ নাপাই নিজৰ দেহটোক বিক্ৰী কৰিবলৈ বাধ্য হয়। অকল নাৰীয়েই এইধৰণৰ বৃত্তিৰ লগত জড়িত নহয়। নিজ দেহ বিক্ৰী কৰি জীৱিকা অৰ্জন কৰা বহু পুৰুষো আমাৰ সমাজত আছে। উপন্যাসখনত স্মৃতি ভট্টাচাৰ্যই দেহ ব্যৱসায়ী নাৰীৰ সম্পৰ্কত তথ্য সংগ্ৰহ কৰিবলৈ গৈ পুৰুষেও যে এইধৰণৰ বৃত্তিৰ লগত জড়িত হয় সেয়া আৱিস্কাৰ কৰিছিল। বাস্তৱিকতে ঔপন্যাসিকাই উপন্যাসখনত বৰ্ণনা কৰা ধৰণৰ পৰিস্থিতিৰ সন্মুখীন হৈছিল। এই সম্পৰ্কত ঔপন্যাসিকাই কৈছে—

> মই কুলদা কুমাৰ ভট্টাচাৰ্যৰ দ্বাৰা পৰিচালিত দূৰদৰ্শনৰ ধাৰাবাহিক এখনৰ বাবে কাহিনী এটা লিখিবলৈ লৈছিলোঁ। সেইখন লিখিবলৈ যাওঁতে মই নাৰীৰ বিভিন্ন ৰূপৰ লগত পৰিচয় হ'লো। বিভিন্ন কৰ্মক্ষেত্ৰত নিয়োজিত নাৰীসকলৰ উপৰিও এনেকুৱা এচাম নাৰী আছে যিসকলে নিজৰ দেহ বিক্ৰী কৰি পেট প্ৰৱৰ্ত্তায়। ধাৰাবাহিকখনত দেহ ব্যৱসায়ী বা গণিকাৰ চৰিত্ৰ এটি ৰূপায়ণৰ বাবে সমল সংগ্ৰহ কৰিবলৈ কুলদা কুমাৰ ভট্টাচাৰ্য আৰু এন.জি.অৰ লোক এজনৰ সৈতে ৰেডলাইট এৰিয়ালৈ গৈছিলোঁ। তাত গৈ মই যিবোৰ দেখিলোঁ আৰু শুনিলোঁ সেইবোৰে মোৰ মনৰ ভিতৰতে ৰৈ গ'ল। দূৰদৰ্শনৰ বাবে কাহিনীটো লিখা হৈ গৈছিল যদিও এইটো দিশত সংগৃহীত তথ্যসমূহে মোক অস্বস্তিত পেলাবলৈ ধৰিলে। তাৰ আগলৈকে মই ভাবিছিলোঁ যে অকল মাইকী মানুহেই নিজৰ দেহ বিক্ৰী কৰি জীৱিকা চলায়। কিন্তু মোৰ কোনো ধাৰণা নাছিল যে ল'ৰাৰ দেহো বিক্ৰী কৰা হয় বা মতা মানুহেও মতা মানুহৰ শাৰীৰিক সংগ বিচাৰে। মই এনেকুৱা এটা পৰিৱেশত থাকো য'ত এনেকুৱা ধৰণৰ কথাৰ আলোচনা নহয়। এইধৰণৰ কথা আমি ঘৰত নাপাতো বা চৰ্চাও নকৰোঁ। গতিকে তাত গৈ মই যেতিয়া গ'ম পালোঁ যে কম বয়সীয়া ল'ৰাকো এনেধৰণৰ ব্যৱসায়ত লগায়, সেই কথাটোৱে মোক মৰ্মাহত কৰিলে। ছোৱালীবোৰক যিদৰে সৰুতেই নিজক কেনেকৈ সুৰক্ষিত কৰি ৰাখিব লাগে সেইবিষয়ে মাকে শিকায়, ল'ৰাবোৰকো মাকে এনেধৰণৰ কথা শিকায় নে নিশিকায়

> এই প্ৰশ্নটোৱে মোক আঘাত কৰিবলৈ ধৰিলে। কিছুমান মানুহ কেনেকুৱা পৰ্যায়লৈ পশু হৈ যাব পাৰে সেই কথাটোৱে মোক ইমানেই কষ্ট দিছিল যে মই তাৰ বাহিৰ ওলাব নোৱাৰা হ'লো। এইবোৰে মোক আমনি কৰি থাকে বাবে মই কথাবোৰ লিখি পেলালোঁ। এনেদৰেই *মুক্তি* উপন্যাসখনৰ সৃষ্টি হ'ল।[১১]

উপন্যাসখনৰ ঠায়ে ঠায়ে ঔপন্যাসিকাৰ এনেধৰণৰ যন্ত্ৰণাৰ প্ৰকাশ ঘটিছে। যিবোৰ কথা বাস্তৱিকতে তেওঁ সহ্য কৰিব নোৱাৰিছিল সেইবোৰৰ প্ৰতিবাদী ৰূপ এটা তেওঁৰ উপন্যাসত প্ৰকাশ পাইছে। ৰৌশন শেঠ নামৰ সমকামী পুৰুষজনে দেহ ব্যৱসায়ী বচন্তীৰ পুত্ৰ শংকৰৰ ভৰণ-পোষণৰ দায়িত্ব লৈ মিছাৰ জাল এখন পেলাই নিজৰ লগত ৰাখিবলৈ লৈ আহিছিল। ৰৌশন শেঠৰ ব্যক্তিত্ব, আচাৰ-আচৰণত আকৰ্ষিত হৈ মাকেও কোনোধৰণৰ শংকা নৰখাকৈ ল'ৰাটোক তেওঁৰ লগত পঠিয়াইছিল। কিন্তু ভদ্ৰতাৰ মুখাৰ আশ্ৰয় লৈ অনৈতিক কৰ্মত লিপ্ত ৰৌশন শেঠে কামনা চৰিতাৰ্থৰ আহিলা হিচাপেহে ব্যৱহাৰ কৰা ৰৌশন শেঠক হত্যা কৰি শংকৰে তাৰ ওপৰত চলি থকা নিৰ্মম অত্যাচাৰৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। কামনা চৰিতাৰ্থ কৰাৰ স্বাৰ্থত মানুহবোৰ দয়া-মমতাহীন পশুৰ শাৰীলৈ উত্তীৰ্ণ হোৱাৰ কথাটোৱে ঔপন্যাসিকাৰ মানসিকতাত আঘাত হানিছিল। সেয়েহে তেওঁ শংকৰক অন্যায়ৰ প্ৰতিবাদী ৰূপত অৱতীৰ্ণ কৰাইছে। ৰৌশন শেঠক শাস্তি দি ঔপন্যাসিকাই এনে নিৰ্যাতনৰ বলি হোৱা কমবয়সীয়া সন্তানসকলক উদ্ধাৰৰ বাট মোকলাইছে। এনেদৰেই *মুক্তি* উপন্যাসখনৰ বিষয়বস্তু ৰূপায়ণত ঔপন্যাসিকাৰ জীৱন অভিজ্ঞতা তথা মনস্তাত্ত্বিক দিশৰ সন্ধান কৰিব পৰা যায়।

ডাইনী সৃষ্টিৰ আঁৰত আমাৰ সমাজত প্ৰচলন হৈ থকা নিষ্ঠুৰতাৰ ছবি ঔপন্যাসিকাই নিজ চকুৰে প্ৰত্যক্ষ কৰিছিল। ডাইনীৰ নামত একাংশ মহিলাক কৰা নিৰ্মম অত্যাচাৰবোৰে ঔপন্যাসিকাৰ যন্ত্ৰণা বৃদ্ধিত অৰিহণা যোগাইছিল। ডাইনী সম্পৰ্কত হোৱা ঔপন্যাসিকাৰ বাস্তৱ অভিজ্ঞতাৰ বৰ্ণনা দিছে এনেদৰে—

> মই গোৱালপাৰাত থাকোঁতে অসম মহিলা সভা চচাইটি নামৰ অনুষ্ঠান এটাৰ কাৰণে এন.জি.অ.ৰ ফালৰপৰা এখনি বাৰ্তালোচনী উলিয়াইছিল। সেইখন সম্পাদনা কৰিবলৈ মোক আৰু অতনু ভট্টাচাৰ্যক দায়িত্ব দিয়া হৈছিল। তেতিয়া তাত হোৱা কোনো এটা অনুষ্ঠানত উপস্থিত থাকোঁতে মই দুগৰাকী মহিলা দেখিছিলোঁ। ৰাভা সাজ পৰিধান কৰা মহিলা দুগৰাকীৰ চুলি খলপা-খলপে কাটি পেলোৱা আৰু গাত বহুতো অত্যাচাৰৰ চিন স্পষ্ট। প্ৰথম অৱস্থাত মই তেওঁলোকক

পগলা বুলি ভাবিছিলোঁ যদিও পিছত জানিব পাৰিলোঁ যে সিহঁতক ডাইনী সজাই এনেদৰে অত্যাচাৰ কৰা হৈছে। এই কথাটো ঘৰলৈ অহাৰ লৈকে মই বুকুত কঢ়িয়াই লৈ আনিলোঁ। তেওঁলোকৰ যি যন্ত্ৰণাত কাতৰ মুখ সেয়া মই সহ্য কৰিব পৰা নাছিলোঁ। এন.জি.অ.ৰ ফালৰপৰা অঞ্চলটোত অন্ধবিশ্বাস দূৰ কৰাৰ বাবে বিভিন্নধৰণৰ সভা অনুষ্ঠিত কৰিছিল। সেই সভাত মোকো অতিথি হিচাপে বিচৰাত দুই-এখনত গৈছিলোঁ। সভাসমূহতো গৈ এইবিলাক দেখিলোঁ আৰু মোৰ ভিতৰত সোমাই থকা যন্ত্ৰণাখিনিক লৈ *চামিয়ানা* উপন্যাসখন ৰচনা কৰিলোঁ।[১২]

ডাইনী আখ্যাৰে নাৰীসকলক যি অবৰ্ণনীয় শাৰীৰিক, মানসিক নিৰ্যাতন চলোৱা হৈছিল সেইবোৰে ঔপন্যাসিকাৰ চেতন-অৱচেতন মনত ক্ৰিয়া কৰিছিল। উপন্যাসখনত বৰ্ণনা কৰা শ্বেতাৰ মানসিক যন্ত্ৰণাৰ মাজেৰে যেন ঔপন্যাসিকাই নিজেই প্ৰৱেশ কৰিছে। ডাইনী সজোৱা মানুহকেইজনীক নিজ চকুৰে প্ৰত্যক্ষ কৰাৰ পিছত ঔপন্যাসিকাই যি যন্ত্ৰণা উপলব্ধি কৰিছিল সেয়া অৱচেতনাত কঢ়িয়াই লৈ ফুৰিছিল। উপন্যাসখন লিখাৰ সময়ত শ্বেতাৰ মাজেৰে ঔপন্যাসিকাৰ সেই যন্ত্ৰণাবোৰে প্ৰকাশ লাভ কৰিছে। ঔপন্যাসিকাই সমাজৰপৰা এইধৰণৰ অন্ধবিশ্বাসসমূহ নোহোৱা হৈ যোৱাটো কামনা কৰিছিল। সেয়েহে তেওঁ উপন্যাসখনত নিৰ্দোষী লোকসকলক ব্যক্তিগত স্বাৰ্থৰ বাবে ডাইনী সজাই অত্যাচাৰ কৰা মানুহবোৰক শাস্তি বিহিছে। *ঈশ্বু* উপন্যাসখনতো ঔপন্যাসিকাই এই দিশটোৰেই উপস্থাপন কৰিছে। গাওঁবাসীয়ে বেজৰ কথামতে অম্বিকাক ডাইনী সজাই নানাধৰণে অত্যাচাৰ কৰি গাঁৱৰ পৰা খেদি পঠিয়াইছিল। সংঘৰ মানুহ আৰু পুলিচে আহি যেতিয়া অম্বিকাৰ বিচাৰ-খোচাৰ কৰিলে তেতিয়া গাওঁবাসীয়ে একো নজনাৰ অভিনয় কৰিছিল। ঈশ্বু নামৰ কণমানি ল'ৰাটোৱে সেইসময়ত পুলিচৰ সন্মুখত গাওঁবাসীয়ে অম্বিকাক থৈ অহা হাবিখনৰ কথা ক'লে। ঈশ্বুৰ সহায়ত পুলিচে অম্বিকাক জীৱন্তে উদ্ধাৰ কৰি আনিলে আৰু গাওঁবাসীক শাস্তি হিচাপে অম্বিকাৰ চিকিৎসা আৰু তাইৰ ভাঙি পেলোৱা ঘৰ-দুৱাৰ পুনৰ মেৰামতি কৰি দিয়াৰ দায়িত্ব দিলে। দুয়োখন উপন্যাসতে ডাইনী হিচাপে মিছা নিন্দা, অপযশ, নিৰ্যাতনত ভোগা নাৰীসকলক ন্যায় প্ৰদান কৰাৰ লগতে দোষীক উপযুক্ত শাস্তি প্ৰদান কৰিছে। ইয়াৰ জৰিয়তে ঔপন্যাসিকাই মানসিক সন্তুষ্টি লাভ কৰিব বিচাৰিছে।

মণিকুন্তলা ভট্টাচাৰ্যই বৃদ্ধাশ্ৰমত লগ পোৱা বৃদ্ধাসকলৰপৰা জীৱন সম্পৰ্কে বহুতো নতুন ধাৰণা আহৰণ কৰিছিল। পৰিয়ালৰ-পৰিজন থকাৰ পিছতো এটা সময়ত কিদৰে নিঃসংগ হৈ ৰ'ব লগা হয় তাৰ জীৱন্ত নিদৰ্শন বৃদ্ধাশ্ৰমৰ বাসিন্দাসকল। ঔপন্যাসিকাই *বন্ধ ঘৰৰ খিৰিকী* উপন্যাসখনৰ পাতনিত এই বিষয়ে এনেদৰে কৈছে—

> লগ পালোঁ বৃদ্ধাৱাসৰ বাসিন্দাসকলকো। প্ৰত্যেকৰে ভিন্ন কাহিনী। বিচিত্ৰ জীৱনবোধ। তাৰে এগৰাকী বাসিন্দাৰ জীৱনৰ সচাঁ কাহিনীৰে ৰচিত এই উপন্যাস। এবাৰ তেওঁ মোৰ হাতত ধৰি অনুৰোধ কৰিছিল—“ তুমি মোৰ ছোৱালীৰ নিচিনা। পাৰা যদি মোৰ ছোৱালীজনীৰ লগত মোক মিলন কৰাই দিয়া।” কিন্তু নামটোৰ বাহিৰে জীয়েকৰ আন কোনো তথ্য তেওঁ মোক দিব নোৱাৰিলে, মোৰো কামটো কৰা ন'হল। তাৰ এমাহৰ ভিতৰতে মহিলা গৰাকীৰ আকস্মিক বিয়োগ ঘটে।

বৃদ্ধাশ্ৰমৰ মহিলাগৰাকীৰ জীয়েকক লগ পোৱাৰ হাবিয়াসে ঔপন্যাসিকাৰ হৃদয়ত বিষাদৰ জন্ম দিয়ে। পিতৃ-মাতৃৰ অন্তৰত সন্তানকলৈ সকলো সময়তে কাতৰতা থাকে। কিন্তু সন্তানে এটা সময়ত পিতৃ-মাতৃক নিজৰ বোজা হিচাপেহে গণ্য কৰা দেখা যায়। পুত্ৰ-বোৱাৰী, জীয়াৰীৰ দ্বাৰা অৱহেলিত এনে এগৰাকী মাতৃৰ যন্ত্ৰণাৰ চিত্ৰ *বন্ধ ঘৰৰ খিৰিকী* উপন্যাসখনত অংকন কৰা হৈছে। সন্তান থকাৰ পিছতো নিঃসংগ উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ নিৰ্মলাই বৃদ্ধাশ্ৰমৰ বাসিন্দা হৈছে। বৃদ্ধাশ্ৰমত গৈও নিৰ্মলাই সন্তানৰ বাবে হাহাকাৰ কৰি ৰৈছে। অৱশেষত সন্তানৰ সান্নিধ্য অবিহনে তেওঁ মৃত্যুক আকোঁৱালী লৈছে। ঔপন্যাসিকাই বৃদ্ধাশ্ৰমত লগ পোৱা বৃদ্ধাগৰাকীৰ জীৱন দুৰ্দশা নিৰ্মলাৰ মাধ্যমেৰে প্ৰকাশ কৰিছে। সন্তানৰ বাবে বৃদ্ধাগৰাকীৰ হাহাকাৰে ঔপন্যাসিকাৰ মনস্তত্ত্বত প্ৰভাৱ বিস্তাৰ কৰিছিল। সেয়েহে তেওঁ এই যন্ত্ৰণাৰ উপশম বিচাৰি উপন্যাসখন ৰচনা কৰিছে। ঔপন্যাসিকাই বৃদ্ধাশ্ৰমত লগ পোৱা বৃদ্ধাগৰাকীক জীয়ৰীৰ সৈতে সাক্ষাত কৰাব নোৱাৰিলে যদিও উপন্যাসখনৰ মাধ্যমেৰে এই যন্ত্ৰণা উপস্থাপন কৰি প্ৰতিগৰাকী সন্তানলৈ বাৰ্তা প্ৰেৰণ কৰিছে। এই সম্পৰ্কত উপন্যাসখনৰ পাতনিত কোৱা হৈছে—

> মহিলাগৰাকী গ'লগৈ, কিন্তু তেওঁৰ সেই কথাষাৰ মোৰ প্ৰাণত ৰৈ গ'ল। আজি এই উপন্যাস শেষ কৰিছোঁ, ইয়াৰ মাজেৰেই আশা ৰাখিছোঁ যে আমাৰ সমাজলৈ যদিও বৃদ্ধাশ্ৰম আহিছে, আমি যেন আদৰেৰে আমাৰ জন্মদাতাক আমাৰ মাজতে ৰাখোঁ। যি হৃদয়েৰে জন্মদাতাই আমাক প্ৰতিপালন কৰিছিল, ৰক্ষণাবেক্ষণ দিছিল, সকলো অশুভৰ পৰা আঁতৰাই ৰাখিছিল, দীক্ষা দিছিল মানুহ হোৱাৰ, সেই হৃদয়, সেই শৰীৰ আজি ক্লান্ত। এই ক্লান্তিক যদি আমি আমাৰ আদৰেৰে আবৰি ৰাখোঁ, কি এনে ক্ষতি হয়।

ঔপন্যাসিকাৰ শৈশৱৰ এছোৱা সময়ক লৈ *দস্তখত* উপন্যাসখন ৰচনা কৰিছে। দস্তখত হৈছে স্বাক্ষৰ। স্বাক্ষৰে আত্ম অৱস্থিতিক সূচায়। উপন্যাসখনত মণিকুন্তলা ভট্টাচাৰ্যৰ আত্ম অৱস্থিতিক

নির্মাণ কৰা হৈছে বাবে প্ৰতীকাত্মকৰূপত দস্তখত শিৰোনাম ৰখা হৈছে। উপন্যাসিকাই এইখন আত্মজীৱনীমূলক উপন্যাস হিচাপে স্বীকৃতি প্ৰদান কৰিছে। গৱেষণা গ্ৰন্থৰ দ্বিতীয় অধ্যায়ত এই সম্পৰ্কে উল্লেখ কৰা হৈছে। উপন্যাসখনত স্কুলীয়া ছাত্ৰী মণিকুন্তলা ভট্টাচাৰ্যৰ জীৱনৰ চিত্ৰ ৰূপায়ণ কৰা হৈছে। উপন্যাসখনত বৰ্ণনা কৰা থানাখনত পুলিচে কোনোবা আচামীক আটক কৰি লৈ আহিলেই অনুসন্ধিৎসুতাৰ বাবে লগৰবোৰৰ সৈতে ঘৰৰ বাধা নামানি দৌৰি দৌৰি চাব যোৱা ছোৱালীজনীয়ে শৈশৱৰ মণিকুন্তলা ভট্টাচাৰ্য। শৈশৱৰেপৰা এটি অনুসন্ধিৎসু মনৰ গৰাকী ঔপন্যাসিকাই মানুহৰ মুখে মুখে শুনি পৃথিৱীত ঘটি থকা বৈচিত্ৰময় ঘটনাসমূহৰ প্ৰতি শৈশৱতে আকৰ্ষিত হৈছিল। এনেদৰে শৈশৱতে জীৱন আৰু জগত সম্পৰ্কে লাভ কৰা অভিজ্ঞতাসমূহ তেওঁ উপন্যাসখনত প্ৰকাশ কৰিছে। শৈশৱতে প্ৰেমৰ প্ৰতি ঔপন্যাসিকাৰ মনস্তত্ত্বত এক বিশেষ ধাৰণাৰ উদয় হৈছিল। সেয়েহে তেওঁ ঈশ্বৰপুত্ৰৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰিছিল। শৈশৱ-কৈশোৰৰ সময়ছোৱাত বিপৰীত লিংগৰ প্ৰতি আকৰ্ষণ এটি মনস্তাত্ত্বিক দিশ। মণিকুন্তলা ভট্টাচাৰ্যৰ স্কুলীয়া জীৱনৰ এনেধৰণৰ কথাকেই উপস্থাপন কৰিছে *দস্তখত*ত। শৈশৱৰ পৰাই অধিক ভাৱপ্ৰৱণতাই ঔপন্যাসিকাক আনতকৈ পৃথক কৰি তুলিছিল। এই সম্পৰ্কে ঔপন্যাসিকাই কৈছে— "যি বয়সত ল'ৰা-ছোৱালীয়ে খেলা-ধূলা কৰি সময় কটাইছিল সেই বয়সত মই পাঠ্যপুথিৰ বাহিৰেও কিছুমান কিতাপ পঢ়িবলৈ লৈছিলোঁ। যিবোৰ সাধাৰণতে সেইটো বয়সৰ ল'ৰা-ছোৱালীয়ে নপঢ়ে। যাৰফলত মোৰ চিন্তা বা ভাবনাৰ ৰাজ্যত কিছুমান বস্তুৱে অহৰহ দোলা দি থাকিছিল।"[১৩]

ঔপন্যাসিকাৰ শৈশৱতে গঢ় লৈ উঠা অধিক চিন্তাপ্ৰৱণতা পিছৰ কাললৈকে ৰৈ গৈছিল। তেওঁৰ অন্তৰত অহৰহ ক্ৰিয়া কৰি থকা ঘটনা-পৰিঘটনাক পৰৱৰ্তী সময়ত সাহিত্যৰ মাজেৰে উন্মুক্ত কৰি তুলিছে।

এনেদৰেই ঔপন্যাসিকাৰ ব্যক্তিগত অভিজ্ঞতা তথা মনস্তত্ত্বৰ প্ৰকাশ ঘটিছে উপন্যাসসমূহৰ বিষয়বস্তুৰ মাজেৰে। ঔপন্যাসিকাই শৈশৱৰেপৰা পৰিয়াল চক্ৰত লাভ কৰা অভিজ্ঞতাসমূহকে উপন্যাসৰ বিষয়বস্তুৰ ৰূপত উপস্থাপন কৰিছে। নিজৰ পৰিয়ালৰ লগতে তেওঁৰ ওচৰে-পাজৰে থকা মানুহখিনিৰ পৰা তেওঁ যিবোৰ অভিজ্ঞতা সঞ্চয় কৰিছিল সেইবোৰেই তেওঁৰ উপন্যাসৰ বিষয়ৰূপত তুলি ধৰিছে। ইয়াৰ পৰিপেক্ষিততে উপন্যাসসমূহে বাস্তৱিকতাৰ দাবী কৰিছে।

**৬.০১.০২ উপন্যাসত ব্যৱহৃত ৰূপাংগৰ আধাৰত ঔপন্যাসিকাৰ মনস্তত্ত্বৰ বিশ্লেষণ ঃ**

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহৰ বিষয়বস্তুৰ ক্ষেত্ৰত বৈবাহিক জীৱনৰ অসফলতা,

সন্তানৰ প্ৰসংগ, প্ৰেম হৈছে সঘনাই দৃষ্টিগোচৰ হোৱা ৰূপাংগ। এই ৰূপাংগসমূহ উপস্থাপনৰ আঁৰত ঔপন্যাসিকাৰ জীৱন অভিজ্ঞতা তথা মনস্তাত্ত্বিক দিশ বিচাৰি চোৱাৰ অৱকাশ আছে । মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসসমূহৰ ভিতৰত *অৰুন্ধতী*, *বৰদোৱানী*, *বন্ধ ঘৰৰ খিৰিকী*, *সন্ধ্যা* উপন্যাসত বৈবাহিক জীৱনৰ সমস্যাই আগস্থান লাভ কৰিছে। বৈবাহিক সমস্যা উপস্থাপনৰ লগত ঔপন্যাসিকাৰ মনস্তত্ত্ব জড়িত হৈ আছে। এই বিষয়ে ঔপন্যাসিকাই সাক্ষাতকাৰত কৈছে—

> মোৰ প্ৰায়বোৰ উপন্যাসতে বৈবাহিক জীৱনৰ জটিলতা, বিবাহ বিচ্ছেদে স্থান লাভ কৰিছে। এইটো এইকাৰণেই হৈছে যে মই ২০ বছৰ বয়সতে বিবাহপাশত আবদ্ধ হৈ এখন নতুন ঘৰলৈ আহিছিলোঁ। মোৰ স্বামী দিনটোৰ অধিক সময় কৰ্মক্ষেত্ৰত ব্যস্ত থকাৰ বাবে নতুন ঘৰখনত মই সম্পূৰ্ণ অকলশৰীয়া হৈছিলোঁ। বিবাহিত হৈও মই নিঃসংগ এটা জীৱন কটোৱাৰ দৰে হ'ল। মোৰ স্বামীয়ে মোৰ মনৰ বুজ লৈ কৰ্মক্ষেত্ৰৰপৰা আহি পোৱাৰ পিছত মোক বাহিৰলৈ উলিয়াই নিছিল যদিও সেইখিনিয়ে মোৰ নিঃসংগতা দূৰ কৰিব নোৱাৰিলে। গোটেই দিনটোলৈ মানুহৰ সংগহীনতাই মোৰ মনত বিষণ্ণতাৰ সৃষ্টি কৰিলে। মোৰ মাৰ ঘৰখনৰ আপোন মানুহবোৰক এৰি আহি বিয়াৰ পিছত যিটো পৰিৱেশ পালোঁ সেইটোৱে মোৰ অন্তৰত বিষাদৰ সৃষ্টি কৰিলে। প্ৰথম অৱস্থাত এই বিষাদবোধৰ কাৰণ সম্পৰ্কে মই বুজি পোৱা নাছিলোঁ যদিও মোৰ লেখক সত্ত্বাই সেয়া আয়ত্ব কৰি ল'লে। .... স্বামীৰ সৈতে বিচ্ছেদ নোহোৱাকৈও মনত সৃষ্টি হোৱা যি নিঃসংগতাবোধৰ অনুভৱ সেয়া মোৰ ভিতৰৰ লেখক সত্ত্বাই সামৰি থ'লে।"[১৪]

ঔপন্যাসিকাৰ মনস্তত্ত্বৰ লগত জড়িত এই বিষয়টোৰ প্ৰভাৱ তেওঁৰ প্ৰায়কেইখন উপন্যাসতে পৰিছে। তেওঁৰ মানসিক জগতত ক্ৰিয়া কৰি থকাৰ বাবেই বৈবাহিক জীৱনৰ অসফলতাই উপন্যাসসমূহৰ বিষয় হিচাপে অগ্ৰাধিকাৰ লাভ কৰিছে। ঔপন্যাসিকাৰ *অৰুন্ধতী* উপন্যাসত চিন্তাধাৰা, জীৱন নিৰ্বাহৰ পদ্ধতিৰ মিল নথকাৰ বাবেই অনন্যাৰ প্ৰথম স্বামীৰ সৈতে মধুৰ সম্পৰ্ক গঢ়ি উঠা নাই। বৈবাহিক জীৱনত সহাৱস্থানৰ অভাৱত স্বামী-স্ত্ৰী উভয়েই মানসিক যন্ত্ৰণাত ভুগিছে। বিবাহ বিচ্ছেদৰ জৰিয়তে ঔপন্যাসিকাই অনন্যা আৰু তেওঁৰ প্ৰথম স্বামীৰ মাজৰ সম্পৰ্কৰ শেষ পৰিণতি ঘটাইছে। *বৰদোৱানী* উপন্যাসত পুণ্যধৰৰ দ্বিতীয় বিবাহৰ পিছত বৰদোৱানী আৰু পুণ্যধৰৰ সম্পৰ্কত দূৰত্ব বৃদ্ধি পাইছে। *বন্ধ ঘৰৰ খিৰিকী* উপন্যাসতো নিৰ্মলা বৈবাহিক জীৱনত সুখী হোৱা নাই। স্বামীৰপৰা শাৰীৰিক-মানসিক অত্যাচাৰৰ সন্মুখীন হোৱা নিৰ্মলা নিজৰ সন্তানৰ

দ্বাৰাও অনাদৃত হৈ মানসিক অশান্তিত ভুগিছিল। *সন্ধ্যা* উপন্যাসত দেউতাকক সুখী কৰিবলৈ গৈ সন্ধ্যাই পাৰ্থৰ সৈতে বিয়াত বহিছে যদিও নিজে সুখী হ'ব পৰা নাই। প্ৰেমিক ইৰফানৰ স্মৃতি আৰু পাৰ্থৰ আচৰণে বৈবাহিক জীৱনৰ প্ৰতি মূহুৰ্ততে সন্ধ্যাক অশান্তি দিছে। ঔপন্যাসিকাৰ *কাচৰ পিৰামিড* উপন্যাসতো শ্বেৰ সিঙৰ প্ৰতি থকা প্ৰেমৰ বাবেই নুৰিয়াই নিজৰ পৰিয়াল, জন্মস্থান সকলো ত্যাগ কৰিছিল। শ্বেৰ সিঙৰ সৈতে বৰ্তমান আৰু ভৱিষ্যতৰ বান্ধোন দৃঢ় কৰিবলৈ অসমলৈ আহি দুয়ো বিবাহপাশত আবদ্ধ হৈছিল। কিন্তু শ্বেৰ সিঙৰ বিশ্বাসঘাটকতাই সিহঁতৰ সম্পৰ্কত এক প্ৰাচীৰ সৃষ্টি কৰিলে। মাকৰ খবৰ ল'বলৈ খুৰাকৰ সৈতে ঘৰলৈ যোৱা শ্বেৰ সিঙে দ্বিতীয় বিবাহ কৰাই উভতি আহিছিল। নুৰিয়াৰ অজ্ঞাতে পতা বিয়াখনৰ কথা শ্বেৰ সিঙে উভতি আহি কোৱাত নুৰিয়াৰ সমগ্ৰ সত্বাত এক হাহাকাৰৰ সৃষ্টি হৈছিল। এই ঘটনাৰ পিছত নুৰিয়াই স্বইচ্ছাৰে শ্বেৰ সিঙৰ পৰা বিচ্ছিন্ন হৈ পৰিছিল। ঔপন্যাসিকাৰ *স্বাভিমান* উপন্যাসখনতো বৈবাহিক জীৱনৰ সমস্যা মূল বিষয়বস্তু হিচাপে উপস্থাপন কৰা হৈছে। স্বামীৰ ইচ্ছাৰ বিৰুদ্ধে গৈ গৰ্ভস্থ সন্তানক হত্যা কৰাৰ বাবেই স্নিগ্ধা আৰু স্বামীৰ সম্পৰ্কত জটিলতাৰ সৃষ্টি হৈছিল।

ঔপন্যাসিকাই সাক্ষাতকাৰত কোৱা কথাখিনিৰ আধাৰত তেওঁৰ উপন্যাসসমূহত এনেদৰে ঔপন্যাসিকাৰ মনস্তাত্ত্বিক দিশৰ প্ৰতিফলন হোৱাটো অনুমান কৰিব পাৰি। স্বামীৰ লগত ঔপন্যাসিকাৰ সম্পৰ্ক খুব ভাল আছিল যদিও কোনোবাখিনিত তেওঁ নিজকে অকলশৰীয়া অনুভৱ কৰিছিল। তেওঁৰ এই নিঃসংগতাৰ উপলব্ধিয়ে উপন্যাসত ভুমুকি মাৰিছে। তেওঁৰ উপন্যাসৰ চৰিত্ৰসমূহো সেইকাৰণে বৈবাহিক জীৱনত সম্পূৰ্ণৰূপে সুখী হ'ব পৰা নাই। ঔপন্যাসিকাই কোনোবাটো চৰিত্ৰৰ বিবাহ বিচ্ছেদ ঘটাই স্বামীৰপৰা সম্পূৰ্ণৰূপে আঁতৰাই পঠিয়াইছে। *যমুনা* উপন্যাসতো স্বামীক অকালতে হেৰুওৱা যমুনাৰ মনস্তত্ত্বৰ উপস্থাপন কৰা হৈছে। আকৌ স্বামীৰ লগত একেলগে থকা নাৰী চৰিত্ৰসমূহেও মানসিক অশান্তিত দিন কটাবলগীয়া হৈছে। অৰ্থাৎ ঔপন্যাসিকাই সাংসাৰিক জীৱনত লাভ কৰা নিঃসংগতা তেওঁৰ দ্বাৰা সৃষ্ট উপন্যাসসমূহতো আৰোপ কৰিছে। বৈবাহিক জীৱনত তেওঁ যিদৰে একাকীত্বত ভুগিছিল সেয়া তেওঁৰ প্ৰায়কেইখন উপন্যাসৰ নাৰী চৰিত্ৰই ভোগ কৰিবলগীয়া হৈছে। এয়া উপন্যাসৰ পাতত প্ৰতিফলিত ঔপন্যাসিকাৰ মনস্তত্ত্বৰ এটি অন্যতম দিশ।

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত সঘনাই উত্থাপন হোৱা আন এটি প্ৰসংগ হৈছে **সন্তান**। সন্তানকলৈ ঔপন্যাসিকাৰ চেতনাত যি ধাৰণাৰ সঞ্চিত হৈ আছিল তাৰ বহিৰ্প্ৰকাশ ঘটিছে উপন্যাসৰ পাতত। এটি কন্যা সন্তানৰ মাতৃ ঔপন্যাসিকাৰ সন্তান সম্পৰ্কত নিজস্ব অভিজ্ঞতাৰ বিষয়ে এনেদৰে কৈছে—

মই যিটো বয়সত মাতৃ হৈছিলোঁ সেইটো বয়সত মোৰ লগৰ ছোৱালীবিলাকৰ বিয়া হোৱাই নাই। মই মোৰ সন্তানটিক লৈ খুবেই সুখী আছিলোঁ। মই নিজহাতে অতি যত্নৰে তাইক প্ৰতিপালন কৰিছিলোঁ আৰু তাইৰ সৈতে প্ৰতিটো মূহুৰ্ত উপভোগ কৰিছিলোঁ। তাই তিনি বছৰ বয়সত যেতিয়া স্কুললৈ গৈছে তাই ঘৰত নথকা সময়খিনি মই নিঃসংগ হৈ পৰিলোঁ আৰু তেতিয়াই মোৰ নিঃসংগতাৰ আৰম্ভণি হ'ল আৰু সময় আগবঢ়াৰ লগে লগে ই বাঢ়িবলৈ ধৰিলে। তাই যেতিয়া স্কুলত দীঘলীয়া সময়ৰ বাবে থাকিবলগীয়া হ'ল তেতিয়া মোৰ অকলশৰীয়া মূহুৰ্তও বাঢ়িল। মই তেইশ বছৰ বয়সত মাতৃ হৈছিলোঁ আৰু মোৰ ছোৱালীজনীয়ে যেতিয়া দীঘলীয়া সময়ৰ বাবে স্কুলত থাকিবলৈ লৈছিল সেই সময়ত পৃথিৱীৰ মোৰ বয়সীয়াল ছোৱালীবিলাকে বিয়া হ'বলৈ লৈছিলহে মাত্ৰ। ছোৱালীজনী স্কুলত থকা সময়ত মই যেতিয়া নিঃসংগতাত ডুবি ৰৈছিলোঁ সেই সময়ত মোৰ লগৰ ছোৱালীবিলাকে কোলাত কেঁচুৱা লৈ মাতৃত্বৰ সুখ উপভোগ কৰিছিল। ইয়াৰ পৰিণতিত মাতৃত্বৰ অকলশৰীয়া মূহুৰ্তৰ মোৰ যি অনুভৱ সেয়া মোৰ ভিতৰত ৰৈ গৈছিল। যাৰবাবে উপন্যাসসমূহৰ পৰা মই ইয়াক বিচ্ছিন্ন কৰিব নোৱাৰা হৈ পৰিলোঁ। ফলত কোনোবাজনী নাৰী যদি বন্ধ্যা, আন কোনোবাজনীক আকৌ সন্তান দিও সন্তানৰ পৰা বিচ্ছেদ কৰি পেলাইছোঁ। মোৰ অন্তৰত যি বৰফ গোট মাৰিছিল উপন্যাসত বন্ধ্যা নাৰীৰ সৃষ্টি কৰি সেই বৰফ টুকুৰাক ভাঙি টুকুৰা-টুকুৰ কৰিলোঁ। টুকুৰা-টুকুৰ কৰাৰ পিছত ভাবিলোঁ বৰফ টুকুৰা শেষ হৈ গ'ল। কিন্তু ই শেষ হোৱা নাছিল। অৱশিষ্টখিনি মোৰ বুকুৰ মাজত ৰৈয়েই আছিল। যাৰবাবে কোনোবাটো চৰিত্ৰৰ যদি সন্তান আছে সেই সন্তানটোৱো মৃত্যু হৈছে। এনেদৰেই মোৰ উপন্যাসৰ নাৰী চৰিত্ৰসমূহ সন্তানৰ সুখ প্ৰাপ্তিৰ পৰা বঞ্চিত হৈ ৰৈছে।[১৫]

ঔপন্যাসিকাৰ অৱচেতন মনত সন্তানটি ডাঙৰ হোৱাৰ লগে লগে যি শূন্যতাৰ সৃষ্টি হৈছিল সেই শূন্যতা তেওঁৰ উপন্যাসৰ নাৰী চৰিত্ৰসমূহেও উপলব্ধি কৰিছে। সন্তানটিক সকলো সময়তে নিজৰ ওচৰতেই পোৱাৰ বাবে ঔপন্যাসিকাৰ অন্তৰৰ ব্যাকুলতা দেখা গৈছে। নিজৰ সন্তানটো ক্ৰমাৎ ডাঙৰ হৈ গৈ তেওঁৰপৰা বিচ্ছিন্ন হৈ গৈছে আৰু আনৰ কোলাত সেই সময়তে কেঁচুৱা থকা কথাটো যেন কোনোবাখিনিত তেওঁ সহ্য কৰিব পৰা নাই। সেয়েহে তেওঁৰ যন্ত্ৰণা, ক্ষুণ্ণতা,

হতাশা উপন্যাসৰ নাৰী চৰিত্ৰসমূহ সৃষ্টিত নিৰবিচ্ছিন্নভাৱে প্ৰকাশ লাভ কৰিছে। এইধৰণৰ কাৰ্যই তেওঁৰ মনস্তত্ত্বৰ ইংগিত বহন কৰিছে।

সন্তানৰ লগত সম্পৰ্কিত মণিকুন্তলা ভট্টাচাৰ্যৰ মনস্তত্ত্বৰ আন এটি দিশ হৈছে তেওঁ সমগ্ৰ পৃথিৱীৰ সন্তানৰে এগৰাকী মাতৃ। নিজৰ সন্তানৰ লগতে আনৰ সন্তানৰ প্ৰতিও তেওঁৰ অন্তৰত প্ৰেম আছে। আনৰ সন্তানৰ সুখত সুখী আৰু দুখত কাতৰ হৈ পৰা ঔপন্যাসিকাই এই বিষয়ে কৈছে—"মোৰ ভিতৰৰ বৰফ টুকুৰাৰ আৰু এটা শাখা আছে। মই লোকৰ ল'ৰা-ছোৱালীক ইমানেই বেছি ভালপাওঁ যে ক'ব নোৱাৰাকৈয়ে গোটেই পৃথিৱীৰ সন্তানৰে মই এজনী মাক হৈ পৰোঁ। মই জন্ম দিয়া নাই। মই পালন কৰা নাই। তথাপি মই সিহঁতৰ মাক।"[১৬] ঔপন্যাসিকাৰ মনস্তত্ত্বৰ এই দিশটো তেওঁৰ প্ৰায়কেইখন উপন্যাসতে ৰূপাংগ হিচাপে ভুমুকি মাৰিছে। তেওঁৰ বাস্তৱ জীৱনৰ লেখিয়াকৈ তেওঁ সৃষ্টি কৰা উপন্যাসৰ চৰিত্ৰসমূহেও আনৰ সন্তানৰ প্ৰতি মাতৃসুলভ স্নেহ পোষণ কৰিছে। তেওঁৰ উপন্যাসৰ সন্তানহীন চৰিত্ৰসমূহে আনৰ সন্তানৰ মাজেৰে নিজৰ অন্তৰত সুপ্ত মমত্বৰ সুখ লাভ কৰিছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসসমূহত ব্যৱহৃত অন্য এক ৰূপাংগ **প্ৰেম**ৰ লগত ঔপন্যাসিকাৰ মনস্তত্ত্ব জড়িত হৈ থকা পৰিলক্ষিত হৈছে। ব্যক্তিগতভাৱে তেওঁ প্ৰেমক অগ্ৰাধিকাৰ দিয়ে। সেয়েহে তেওঁৰ উপন্যাসসমূহতো এই প্ৰেমেই আগস্থান লাভ কৰিছে। এই সম্পৰ্কে ঔপন্যাসিকাই কৈছে—

> মোৰ উপন্যাসসমূহত মই প্ৰেমৰ মহত্ব স্বীকাৰ কৰি আহিছোঁ। এয়াই মই। য'ত কষ্ট হৈছে তাতেই প্ৰেমে তুলি ধৰিছে। দুৰ্বলৰ প্ৰতি মোৰ কলম সদায় আগবাঢ়ি যায়, সি লাগিলে মহিলাই হওঁক বা পুৰুষেই হওঁক। নিষ্পেষিতসকলৰ প্ৰতি মোৰ প্ৰেম আছে। নাৰীৰ লগতে নাৰীৰদ্বাৰাও বিভিন্ন সময়ত নিষ্পেষিত পুৰুষসকলৰ প্ৰতিও মোৰ প্ৰেম আছে। য'তেই নহওঁক মই প্ৰেমৰ মহত্ব, প্ৰেমৰ জয়গান গাই আহিছোঁ। এইটোৱে মোৰ প্ৰধান মনস্তাত্ত্বিক দিশ বুলি মই ক'ব খোজো; যিটো মোৰ উপন্যাসসমূহৰ মাজেৰেও প্ৰকাশ ঘটিছে।[১৭]

ঔপন্যাসিকাই প্ৰেম তেওঁৰ মনস্তত্ত্বৰ প্ৰধান দিশ বুলি স্বীকাৰ কৰিছে। এই মনস্তাত্ত্বিক দিশটোৱে তেওঁৰ উপন্যাসসমূহৰ মাজেৰেও পোহৰলৈ আহিছে। উপন্যাসৰ বিষয়বস্তু বা চৰিত্ৰৰ কাৰ্য-কলাপ সকলোকে প্ৰেমে তুলি ধৰিছে। *বৰদোৱানী* উপন্যাসত প্ৰেমৰ চিত্ৰ অংকন কৰিবলৈকেই ঔপন্যাসিকাই বৰদোৱানীক বন্ধ্যা সজাইছে। এই সম্পৰ্কত ঔপন্যাসিকাই কৈছে— "এই মানুহহালে

ইজনে-সিজনক অন্তৰ ভৰি ভালপাওঁক; কিন্তু তেওঁলোকৰ বৈবাহিক জীৱনত দ্বিতীয় এগৰাকী নাৰীৰো আগমন ঘটক। সেই দ্বিতীয়গৰাকী যিটো ৰাস্তাৰে প্ৰৱেশ কৰিব সেই ৰাস্তাটো মই নিৰ্মাণ কৰিছোঁ। সেয়েহে প্ৰথমগৰাকীক মই বন্ধ্যা সজালোঁ।"[১৮]

ঔপন্যাসিকাৰ আত্মজীৱনীমূলক উপন্যাস *দস্তখতত* কথকৰ স্কুলীয়া জীৱনতে ঈশ্বৰপুত্ৰৰ প্ৰতি অন্তৰত আকৰ্ষণৰ সৃষ্টি হৈছিল। নিজতকৈ বয়সত বহুগুণে ডাঙৰ বিবাহপাশত আবদ্ধ ঈশ্বৰপুত্ৰৰ অস্তিত্বই তেওঁৰ গোটেই সত্বাতে বিয়পি আছিল। সৰুৰেপৰাই প্ৰেমৰ প্ৰতি বিশেষ ভাৱ অন্তৰত পোষণ কৰা চৰিত্ৰটোৱে ঈশ্বৰপুত্ৰৰ মৃত্যুত যেন ভাগি পৰিছিল। পৰৱৰ্তী সময়ত এই প্ৰেম ঈশ্বৰপুত্ৰৰ মাজেৰে আহি সুপ্ৰিয়ৰ ওচৰত কেন্দ্ৰীভূত হৈছিল। ঈশ্বৰপুত্ৰৰ প্ৰতি একপক্ষীয় আকৰ্ষণৰ বিপৰীতে সুপ্ৰিয়ই তাইৰ প্ৰতি দেখুওৱা আগ্ৰহ প্ৰেমলৈ ৰূপান্তৰিত হৈছিল। সম্পূৰ্ণ অন্তৰ্মুখী ব্যক্তিত্বৰ গৰাকী কথকে প্ৰেমৰ মাজতেই জীৱন জীয়াইছিল। ঈশ্বৰপুত্ৰ, সুপ্ৰিয়ৰ সৈতে সম্পৰ্কৰ ৰেখাডাল দীৰ্ঘস্থায়ী ন'হলেও ই কথকৰ জীৱনত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। উপন্যাসখনত আদিৰেপৰা অন্তলৈকে প্ৰেমৰ মহত্ত্ব প্ৰতিপাদন কৰা হৈছে। উপন্যাসৰ চৰিত্ৰসমূহে যেন স্বতঃস্ফুৰ্তভাৱে প্ৰেমৰ ৰস বোৱাই আনিছে। উপন্যাসখনত প্ৰধান কাহিনী হিচাপে কথকৰ ককায়েক সৰুদা আৰু মায়াৰ প্ৰেমৰ যি কাহিনী ৰূপায়ণ কৰা হৈছে, তাতো প্ৰেমৰেই জয়গান গোৱা হৈছে। উপন্যাসখনত কথক আৰু সৰুদাৰ মাজত ভাতৃ, ভগ্নীপ্ৰেম, সৰুদা আৰু মায়াৰ প্ৰেম, কথকৰ ঈশ্বৰপুত্ৰৰ প্ৰতি প্ৰেম আৰু কথক আৰু সুপ্ৰিয়ৰ প্ৰেমে প্ৰধান্য লাভ কৰিছে। এনেদৰেই ঔপন্যাসিকাৰ উপন্যাসসমূহত প্ৰেমৰ মহত্ব স্বীকাৰ কৰা হৈছে। প্ৰেমে চৰিত্ৰবোৰক জীৱন পথত আগবাঢ়িবলৈ শক্তি প্ৰদান কৰিছে, জীৱন যুঁজৰ মন্ত্ৰ হৈ উঠিছে। ঔপন্যাসিকাৰ মনস্তত্বৰ লগত ওতঃপ্ৰোতভাৱে জড়িত প্ৰেমৰ বিষয়টো এইদৰেই তেওঁৰ উপন্যাসসমূহৰ মাজত ৰূপাংগ হিচাপে ধৰা দিছেহি।

ঔপন্যাসিকাৰ উপন্যাসসমূহত ব্যৱহৃত **ঈশ্বৰপুত্ৰ** অভিধাটোৰ সৈতে ঔপন্যাসিকাৰ ব্যক্তিগত মনস্তাত্ত্বিক ধাৰণা কিছুমান সংপৃক্ত হৈ থকাৰ পৰিপেক্ষিতত তেওঁৰ সৃষ্টিৰাজীত ই ৰূপাংগ হিচাপে ভুমুকি মাৰিছে। সাধাৰণতে যীশুখ্ৰীষ্টক ঈশ্বৰপুত্ৰ আখ্যা দিয়া হয়। ঈশ্বৰৰ সন্তান যীশুই মানুহৰ বেদনা, দুখ-যন্ত্ৰণা উপশম কৰাৰ নিমিত্তে ধৰাত আৱিৰ্ভাৱ হৈছিল। সেয়েহে যীশুক ঈশ্বৰৰ সন্তান আখ্যা দিয়া হৈছে। ঔপন্যাসিকাৰ মনস্তত্ত্বতো ঈশ্বৰপুত্ৰৰ ধাৰণাটোৱে গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰি আছে। এই সম্পৰ্কত ঔপন্যাসিকাই মত পোষণ কৰিছে এইদৰে—

> ঈশ্বৰপুত্ৰ বুলি ক'লে যীশুখ্ৰীষ্টৰ বিনয় প্ৰতিচ্ছবি এখন ভাহি আহে। মোৰ দৃষ্টিত মোৰ প্ৰেমিকজনে মোৰ জীৱনলৈ প্ৰেম, ভালপোৱাৰ অনুৰাগ অত্যন্ত স্নিগ্ধ আৰু

পবিত্ৰ সত্তাৰে আনিব। সেই প্ৰেমিকৰ প্ৰেমত কোনোধৰণৰ প্ৰতাৰণা আৰু স্বাৰ্থ নাথাকিব। গতিকে তেওঁ একেবাৰে ঈশ্বৰৰ ৰূপ লৈ আহিব। ঈশ্বৰে যিদৰে সকলোকে সমৃদ্ধ কৰি তোলে, সুখ-শান্তি প্ৰদান কৰে, ঠিক তেনেদৰে ঈশ্বৰৰ সন্তান আহিব। এই ধাৰণাটো মোৰ মনত সদায়ে আছে। সেয়েহে মই লিখোঁ।[১৯]

ঔপন্যাসিকাৰ *সন্ধ্যা, অৰুন্ধতী, যমুনা, দস্তখত* উপন্যাসত ঈশ্বৰপুত্ৰৰ অৱতাৰণা কৰা হৈছে। উপন্যাসৰ উপৰিও ঔপন্যাসিকাৰ দ্বাৰা ৰচিত চুটিগল্প কিছুমানতো ঈশ্বৰপুত্ৰৰ উপস্থিতি দৃশ্যমান হয়। *দৃশ্যান্তৰ* গল্পটোত কেন্দ্ৰীয় চৰিত্ৰ খুকীয়ে আকৰ্ষিত হোৱা পুৰুষজনেই হৈছে খুকীৰ ঈশ্বৰপুত্ৰ। ঈশ্বৰপুত্ৰৰ কল্পনাই খুকীৰ জীৱন ভৰাই তুলিছে। আনকি সপোনতো তাই ঈশ্বৰপুত্ৰৰ উপস্থিতি অনুভৱ কৰিছিল এনেদৰে—

“সেই ৰাতি খুকীৰ টোপনি বৰ আমেজ ভৰা আছিল। সপোনত এজোপা ফুলাম কৃষ্ণচূড়াৰ তলত বহি আছিল সিহঁত। তাই আৰু তাইৰ ঈশ্বৰপুত্ৰ। জিৰ্‌জিৰকৈ সৰিছিল কৃষ্ণচূড়াৰ পাপৰি। আৰু ঈশ্বৰপুত্ৰই নিজৰ হাতত তাইৰ হাত তুলি কৈ আছিল—মই আছোঁতো, মই আছোঁ নহয় তোমাৰ কাষত...।”[২০]

এনেদৰেই ঔপন্যাসিকাই উপন্যাসসমূহত যিবোৰ ৰূপাংগ ব্যৱহাৰ কৰিছে সেইবোৰৰ লগত তেওঁৰ জীৱন অভিজ্ঞতা তথা মনস্তত্ত্ব জড়িত হৈ থকা পৰিলক্ষিত হৈছে।

**৬.০১.০৩ উপন্যাসৰ চৰিত্ৰ চিত্ৰণত ঔপন্যাসিকাৰ মনস্তত্ত্বৰ প্ৰতিফলন ঃ**

মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসসমূহৰ চৰিত্ৰ চিত্ৰণত ঔপন্যাসিকাৰ জীৱন অভিজ্ঞতা তথা মনস্তাত্ত্বিক দিশৰ প্ৰতিফলন হোৱা লক্ষ্য কৰা যায়। ঔপন্যাসিকাই *দস্তখত* উপন্যাসখনত সৰু ককায়েকৰ যিটো চৰিত্ৰ অংকন কৰিছে সেই চৰিত্ৰটো সম্পূৰ্ণই কাল্পনিক চৰিত্ৰ। প্ৰত্যেক মানুহৰ অৱচেতন মনত কিছুমান ইচ্ছা-আকাংক্ষা থকাৰ দৰে ঔপন্যাসিকাৰ অন্তৰতো আছিল। ককায়েকৰ চৰিত্ৰ এটাই গুপুতে তেওঁৰ অন্তৰত থিতাপি লৈছিল। বাস্তৱ জীৱনত ককায়েক-ভায়েক নথকা ঔপন্যাসিকাই অন্তৰেৰে এজন ককায়েক বিচাৰে যিজনৰ সৈতে ঔপন্যাসিকাই সমস্ত কথা-বতৰা মনখুলি পতাৰ লগতে ঠেহ-অভিমান কৰিব পাৰিব। কল্পনাৰে এনে এক ককায়েককে তেওঁ উপন্যাসখনত নিৰ্মাণ কৰিছিল। এই সম্পৰ্কে ঔপন্যাসিকাই কৈছে— “দস্তখত উপন্যাসখন বাস্তৱ হয়। উপন্যাসখনত সৰুদাৰ চৰিত্ৰ এটা আছিল। কিন্তু বাস্তৱত মোৰ ককাই-ভাই নাই। মই ককায়েক এজন খুব ভালপাওঁ। সৰুদা মোৰ কল্পনাৰ চৰিত্ৰ।”[২১]

ঔপন্যাসিকাই উপন্যাসসমূহত একাকীত্বত ভোগা চৰিত্ৰ কিছুমান নিৰ্মাণ কৰিছে।এই সম্পৰ্কে ইতিমধ্যে চতুৰ্থ অধ্যায়ত আলোচনা কৰা হৈছে। উপন্যাসৰ চৰিত্ৰসমূহ একাকীত্বত ভোগাত ঔপন্যাসিকাৰ মনস্তত্ত্বৰ প্ৰভাৱক অস্বীকাৰ কৰিব নোৱাৰি। ঔপন্যাসিকাই সৰুৰেপৰা এক অন্তৰ্মুখী ব্যক্তিত্ব বহন কৰি আহিছে। বিভিন্ন সময়ত একাকীত্বত ভোগা ঔপন্যাসিকাই তেওঁৰ জীৱনৰ একাকীত্ব সম্পৰ্কত এইধৰণে মন্তব্য আগবঢ়াইছে—

> মোৰ একাকীত্বৰ কাৰণ আছিল মোৰ অতিমাত্ৰা কৌতূহলতা তথা চিন্তন। যি বয়সত ল'ৰা-ছোৱালীয়ে খেলা-ধূলা কৰি সময় কটাইছিল সেই বয়সত মই পাঠ্যপুথিৰ বাহিৰেও কিছুমান কিতাপ পঢ়িবলৈ লৈছিলোঁ। যিবোৰ সাধাৰণতে সেইটো বয়সৰ ল'ৰা-ছোৱালীয়ে নপঢ়ে। যাৰফলত মোৰ চিন্তা বা ভাবনাৰ ৰাজ্যত কিছুমান বস্তুৱে অহৰহ দোলা দি থাকিছিল। মোৰ চিন্তা বা ভাবনাৰ কথা সহোদৰ বাই-ভনীসকলৰ লগত পাতিয়ো কোনো ফল পোৱা নাছিলোঁ। কাৰণ তেওঁলোকে মোৰ কথাবোৰ মৌন হৈ শুনাৰ বাহিৰে কোনো ধৰণৰ মতামত দিব পৰাকৈ সক্ষম নাছিল। মোৰ অনুসন্ধিৎসু মনত ক্ৰিয়া কৰি থকা প্ৰশ্নবোৰৰ উত্তৰ কাৰো পৰা নাপাই মোৰ নিজৰ মাজতে এটা পৰিমণ্ডলৰ সৃষ্টি হ'ল। চিন্তা বা ভাবনাই মোৰ চাৰিওফালে অকলশৰীয়া এটা পৰিৱেশ সৃষ্টি কৰি দিলে। যাৰফলত ভীৰৰ মাজত থাকিলেও মই একাকীত্বত ভোগো। মই বিচৰাধৰণৰ কথা বা প্ৰশ্নসমূহ নিজৰ লগতে ভাগ-বতৰা কৰি থকাৰ সময়তেই বোধহয় একাকীত্বৰ সৃষ্টি হয়। এইটো কাৰণতেই মোৰ উপন্যাসৰ চৰিত্ৰসমূহ একাকীত্বত ভুগিব পাৰে। তাৰোপৰি লিখাৰ বাহিৰে মোৰ অন্য কোনো পেছা নাই। ঘৰখনত মই অধিক সময় অকলে থাকোঁ। গতিকে ক'ব নোৱাৰাকৈয়ে পোহৰৰ লগত ছাঁ অহাৰ দৰে মই লিখাৰ সময়ছোৱাত নিঃসংগতাৰ ছাঁটোও আহি গৈছে।[২২]

একাকীত্বই ঔপন্যাসিকাৰ মনস্তত্ত্বত গভীৰভাৱে ৰেখাপাত কৰিছিল। তেওঁৰ ব্যক্তিগত জীৱনত একাকীত্বৰ যি অনুভৱ সেয়া তেওঁৰ অগোচৰে উপন্যাসৰ চৰিত্ৰসমূহৰ জীৱনলৈও গতি কৰিছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহত পুৰুষৰ প্ৰতি নাৰী চৰিত্ৰৰ সবল প্ৰতিবাদ দৃষ্টিগোচৰ নহয়। কোনো কোনো উপন্যাসত পুৰুষ আৰু নাৰীৰ মাজত মতানৈক্য হৈছে যদিও সেয়া আস্ফালনলৈকে উন্নীত হোৱা নাই। সহজ-সৰল বুজাবুজিৰ মাজেৰে সমস্যাসমূহৰ সমাধান কৰা

হৈছে। উপন্যাসত প্ৰতিফলিত এই দিশটোৰ লগত ঔপন্যাসিকাৰ মনস্তাত্ত্বিক দিশটো জড়িত। ব্যক্তিগত জীৱনত ঔপন্যাসিকাৰ পুৰুষৰ প্ৰতি কোনো বিদ্ৰোহৰ ভাব নাই। তেওঁৰ জীৱনত পিতৃ আৰু স্বামীয়ে বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছে। তেওঁলোকৰ সান্নিধ্যত লাভ কৰা অভিজ্ঞতাই ঔপন্যাসিকাৰ জীৱনৰ দিক্ নিৰ্ণয় কৰিছে। সেয়েহে তেওঁৰ মনস্তত্ত্বত পুৰুষৰ প্ৰতি বিদ্বেষ ভাৱে স্থান লাভ কৰা নাই। নাৰীৰ সমান্তৰালভাৱে নিষ্পেষিত পুৰুষৰ প্ৰতিও তেওঁৰ কলম উঠিছে। ঔপন্যাসিকাই এনে হোৱাৰ কাৰণ সম্পৰ্কত কৈছে—

> মোৰ উপন্যাসত পুৰুষৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ বা আস্ফালন নাই। কিয়নো দেউতাই মোৰ লেখক সত্ত্বাৰ জন্ম দিছিল। পৰৱৰ্তী সময়ত মোৰ স্বামীয়ে ইয়াত সাৰ-পানী যতনাইছিল। মোৰ স্বামীৰ পত্নী হৈ মই যিখিনি অভিজ্ঞতা সঞ্চয় কৰিলোঁ সেইখিনি নথকাহেঁতেন *অৰুন্ধতীৰ* সৃষ্টি ন'হলহেঁতেন। এটা পৰিপক্ক অনুপ্ৰেৰণা মই মোৰ স্বামীৰপৰা পাইছোঁ। মানুহৰ মনত অহৰহ ভাৱনাৰ নৈ এখন বৈ থাকে। মই যেতিয়া ঘৰৰ কাম-বন কৰি থাকিছিলো তেতিয়াও মোৰ মনত ভাৱনাৰ নৈখন বৈ থাকিছিল। সেই নৈখনৰ খবৰ মই ৰখা নাছিলো যদিও মোৰ সংবেদনশীল লেখক সত্ত্বাই বন্দী কৰি ৰাখিছিল। যাৰবাবে পুৰুষৰ প্ৰতি সেই প্ৰতিবাদটো নাহে।[২৩]

ঔপন্যাসিকাই নিজৰ জীৱন অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি উপন্যাসসমূহ নিৰ্মাণ কৰিছে। চৰিত্ৰসমূহে ভোগা একাকীত্বৰ লগত ঔপন্যাসিকাই ব্যক্তিগত জীৱনত সন্মুখীন হোৱা একাকীত্বৰ সাদৃশ্য পৰিলক্ষিত হৈছে। ঔপন্যাসিকাই নিজৰ ইচ্ছাকাংক্ষা পূৰণৰ বাবে কাল্পনিক চৰিত্ৰৰো সৃষ্টি কৰা দৃষ্টিগোচৰ হৈছে। এইবোৰে সাহিত্যৰ পাঠত সাহিত্যিকগৰাকী মানসিকভাৱে সংপৃক্ত হৈ থকাৰ কথাকে প্ৰতিপন্ন কৰিছে।

**৬.০২ মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসত পাঠকৰ মনস্তত্ত্বৰ প্ৰসংগ ঃ**

পাঠ এটাৰ সামগ্ৰিক প্ৰক্ৰিয়াটো পাঠৰ লেখন প্ৰক্ৰিয়াতে সীমাবদ্ধ হৈ নাথাকে। পাঠ এটাৰ লগত লেখকৰ লেখিয়াকৈ পাঠকো মানসিকভাৱে জড়িত হৈ থাকে। পাঠৰ পৰিশ্ৰাৱন পাঠৰ সামগ্ৰিক প্ৰক্ৰিয়াৰ অন্যতম অংশীদাৰ। পাঠক এজনে পাঠ এটা কেনেদৰে সংবহন কৰিছে সেয়াই হ'ল পাঠৰ পৰিশ্ৰাৱন। পাঠৰ সংবহন পাঠৰ সামগ্ৰিক প্ৰক্ৰিয়াৰ লগত জড়িত এটি এৰাব নোৱাৰা প্ৰক্ৰিয়া। পাঠকৰ দৃষ্টিভংগীৰে একো-একোটা সাহিত্যিক পাঠৰ ভিন্ ভিন্ অৰ্থ উন্মুক্ত হ'ব পাৰে। প্ৰত্যেক ব্যক্তিৰে পাঠ পঢ়াৰ দৃষ্টিভংগী তথা অনুধাৱন কৰাৰ ক্ষমতা সমপৰ্যায়ৰ নহয়। সংগ্ৰহন

তত্ত্ব (Reception Theory) ই পাঠৰ অৰ্থ নিৰূপণৰ ক্ষেত্ৰত পাঠকৰ গুৰুত্ব স্বীকাৰ কৰে। ইয়াৰ পূৰ্বে সাহিত্যৰ পৰম্পৰাগত ধাৰাত পাঠত লেখকৰ কৰ্তৃত্বক গুৰুত্ব প্ৰদান কৰা হৈছিল। পৰম্পৰাগত দৃষ্টিকোণেৰে কৰা সমালোচনাত লেখককেন্দ্ৰিক সমালোচনা বেছিকৈ হৈছিল। ইয়াত লেখকৰ দৃষ্টিভংগীৰে পাঠৰ সমালোচনা আগবঢ়োৱা হৈছিল। লেখককেন্দ্ৰিক সমালোচনাত লেখকৰ জীৱন, লেখকৰ চিন্তাধাৰা, লেখকৰ মনস্তত্ত্ব, লেখকৰ সম-সাময়িক সমাজ ইত্যাদিবোৰে পাঠটোৰ নিৰ্মাণত কেনেদৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে সেয়া সমালোচনাৰ ক্ষেত্ৰত মূল বিচাৰ্য বিষয় আছিল। অৰ্থাৎ লেখকে যি ব্যক্তিনিষ্ঠতা, কল্পনা অনুসৰণৰ আধাৰত সাহিত্য সৃষ্টি কৰিছিল তাৰ ওপৰত ভিত্তি কৰিয়েই সাহিত্যিক পাঠটো বিচাৰ কৰি চোৱা হৈছিল। ইয়াত পাঠকক এটা নিষ্ক্ৰিয় প্ৰসংগ হিচাপেহে গ্ৰহণ কৰা হৈছিল। এইখিনিতে আমি মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ সমালোচনাৰ কথা উনুকিয়াব পাৰোঁ। মামণি ৰয়ছম গোস্বামী নিজেই বিধৱা হোৱা বাবে তেওঁৰ উপন্যাসসমূহত বৈধব্য যাতনাৰ চিত্ৰণ ঘটা বুলি সমালোচকসকলে ক'ব বিচাৰে। ইয়াৰ বিপৰীতে নতুন সমালোচনাৰ আগমনৰ পৰা বৰ্তমান উত্তৰ আধুনিকতাবাদী চিন্তা-চৰ্চাৰ পয়োভৰৰ সময়ছোৱালৈকে যদি আমি দৃষ্টি নিক্ষেপ কৰোঁ তেতিয়া দেখা যায় যে পাঠত লেখকৰ যি কৰ্তৃত্ব আছিল সেয়া কিছু পৰিমাণে লাঘৱ হৈছে। সম্প্ৰতি পাঠ এটাৰ অৰ্থ সম্পৰ্কত পৰম্পৰাগতভাৱে নিহিত হৈ অহা লেখকৰ কৰ্তৃত্বৰ ধাৰণাৰ বিপৰীতে পাঠকৰ গুৰুত্বৰ ধাৰণা গঢ় লৈ উঠিছে। লেখকৰ কৰ্তৃত্বৰ ধাৰণা মতে পাঠ এটাৰ অৰ্থ লেখকে নিৰূপণ কৰে। ইয়াৰ বিপৰীতে সংগ্ৰহন তত্ত্বমতে পাঠৰ অৰ্থ পাঠকেহে নিৰূপণ কৰে। একোটা পাঠৰ সাৰ্বিক বিচাৰৰ ক্ষেত্ৰত দৈনন্দিন বাস্তৱতা তথা লেখকৰ ব্যক্তিত্বই যথেষ্ট নহয়। সম্প্ৰতি পাঠ সংগ্ৰহনৰ ক্ষেত্ৰত পাঠককো সক্ৰিয় অংশীদাৰ হিচাপে বিবেচনা কৰা হয়— "ৰচনা, লেখক আৰু পাঠকৰ সম্পৰ্ক ওতঃপ্ৰোত। এই তিনিওটা বিষয় পৰস্পৰে এনেদৰে সংপৃক্ত হৈ থাকে যে এটাক এৰি আনটোক বিচাৰ কৰাটো অসম্ভৱ হৈ উঠে।"[২৪] একোটা পাঠৰ অৰ্থ পাঠকভেদে ভিন্ন হ'ব পাৰে। অৰ্থাৎ উত্তৰ আধুনিকতাবাদী সমালোচকসকলৰ মতে পাঠৰ অৰ্থ পাঠকেহে নিৰূপণ কৰে। পাঠকৰ নিজস্ব ৰুচি, অভিৰুচি, অভিজ্ঞতা ইত্যাদি পাঠকৰ মনস্তত্ত্বৰ লগত জড়িত বিষয়সমূহৰ ওপৰত ভিত্তি কৰি পাঠকে পাঠৰ অৰ্থ গ্ৰহণ কৰে। অতি শেহতীয়াভাৱে উত্তৰ আধুনিকতাবাদী সময়ছোৱাত পাঠকৰ লগত লেখকে নিজেই বাৰ্তালাপ বা সংলাপত মিলিত হয়। উত্তৰ আধুনিকতাবাদী উপন্যাস *ধূসৰতাৰ কাব্য* উপন্যাসত লেখকে পাঠকক উদ্দেশ্যি কথা কোৱাৰ লগতে পাঠকৰ লগত লেখকো সংলাপত লিপ্ত হয়। লেখকৰ ক'বলগীয়া কথাখিনি পাঠকক ক'বৰ বাবে লেখকে ভিন্ন পন্থা অৱলম্বন কৰা দেখা যায়। লেখকে নিজৰ মতামত পাঠকৰ

মাজলৈ লৈ যোৱাৰ তাড়না বৰ্তমানৰ উপন্যাসত দেখা পোৱা যায়। সেয়া মুখ্য চৰিত্ৰৰ জৰিয়তেও হ'ব পাৰে, কথকৰ জৰিয়তেও হ'ব পাৰে, প্ৰত্যক্ষ সংলাপৰ জৰিয়তেও হ'ব পাৰে আৰু কেতিয়াবা সাধাৰণ পৰ্যবেক্ষণৰ জৰিয়তেও হ'ব পাৰে।

পাঠ সৃষ্টিৰ ক্ষেত্ৰত অভিপ্ৰেত পাঠক (Implied Reader)[২৫] ৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। এজন সাহিত্যিকে কিছুমান নিৰ্দিষ্ট শ্ৰেণীৰ পাঠকক উপলক্ষ্য কৰি পাঠ নিৰ্মাণ কৰে। এই পাঠকসকলেই হ'ল পাঠৰ অভিপ্ৰেত পাঠক। "পেটাৰ ৰবিনউটছ্ (Peter Rabinowitz) এ তিনিধৰণৰ অভিপ্ৰেত পাঠকৰ কথা উল্লেখ কৰিছে। ইয়াৰে প্ৰথম বিধক তেওঁ 'লেখকৰ শ্ৰোতা' (authorial audience) আখ্যা দিছে। "লেখকৰ আনুমানিক শ্ৰোতা" (author's hypothetical audience) এনেকুৱা এজন পাঠক যি লেখকে পাঠ এটাৰ যিখিনি কথা প্ৰকাশ কৰে বা প্ৰকাশ নকৰাখিনিও বোধগম্য কৰিবৰ বাবে অভিপ্ৰেত হৈ পৰে।" [২৬] অভিপ্ৰেতপাঠকৰ ভাষিক, সামাজিক, ভৌগোলিক, মনস্তাত্ত্বিক আদি সকলোবোৰ দিশৰ ওপৰত গুৰুত্ব প্ৰদান কৰি সাহিত্যিকে পাঠ সৃষ্টি কৰে। সমাজৰ কিছুমান সমস্যা, বিষয় আদি বিভিন্ন প্ৰসংগক গুৰুত্ব দি বা বিশেষভাৱে নিৰ্দিষ্ট কৰি সাহিত্যিকে পাঠ সৃষ্টি কৰে। গতিকে পাঠক এইক্ষেত্ৰত অবিচ্ছেদ্য অংগ হৈ পৰে। সৃষ্টিশীল সাহিত্যৰ উপৰিও অনুবাদৰ ক্ষেত্ৰতো অভিপ্ৰেত পাঠক গুৰুত্বপূৰ্ণ। উদাহৰণস্বৰূপে ইংৰাজী পাঠ এটা যেতিয়া অসমীয়া পাঠকশ্ৰেণীৰ বাবে অনুবাদ কৰা হয় তেতিয়া অসমৰ স্থানীয় প্ৰসংগসমূহক অগ্ৰাধিকাৰ প্ৰদান কৰা হয়। অসমীয়া পৰিৱেশ-পাৰিপাৰ্শ্বিকতাৰ ওপৰত গুৰুত্ব দি তাত অসমীয়া ঠাঁচ দিবলৈ যত্ন কৰা হয়। অনুবাদত অভিপ্ৰেত পাঠকৰ মনস্তত্ত্ব গুৰুত্বপূৰ্ণ। অনুবাদৰ লগত জড়িত এটি দৃষ্টিভংগী হৈছে মনোভাষাবৈজ্ঞানিক দৃষ্টিভংগী (Psycholinguistic Approach)। এই দৃষ্টিভংগী মতে অনুবাদকজনে যাৰ বাবে পাঠ এটা অনুবাদ কৰিব সেই পাঠকৰ মনস্তত্ত্ব অনুসৰি ভাষা প্ৰয়োগ কৰিব লাগিব। এইক্ষেত্ৰত নৰেন্দ্ৰনাথ শৰ্মাই অনুবাদ কৰা *অকণিৰ মহাভাৰত*খনৰ কথা উনুকিয়াব পৰা যায়। নৰেন্দ্ৰনাথ শৰ্মাৰ *অকণিৰ মহাভাৰত*খনৰ অভিপ্ৰেত পাঠক হৈছে অকণিসকল। সেয়েহে মূল মহাভাৰতখন অকণিৰ মনস্তত্ত্ব অনুযায়ী অনুবাদ কৰা হৈছে। সৃষ্টিশীল সাহিত্য সৃষ্টিৰ ক্ষেত্ৰতো এইধৰণৰ পাঠকৰ মনস্তত্ত্বৰ লগত জড়িত প্ৰসংগসমূহ গুৰুত্বপূৰ্ণ হৈ পৰে। পাঠ এটা কোন শ্ৰেণীৰ পাঠকে পঢ়িব সেয়া মূল বিষয়। অৰ্থাৎ সাহিত্যিকজনে শিশু, কিশোৰ, প্ৰাপ্তবয়স্ক আদি যি শ্ৰেণীৰ পাঠকৰ বাবেই ৰচনা কৰিব সেই শ্ৰেণীৰ পাঠকৰ মনস্তাত্ত্বিক দিশসমূহ লক্ষ্য কৰিব লাগিব। তেতিয়াহে পাঠটো ৰচনাৰ উদ্দেশ্য সাৰ্থক হ'ব। সেয়েহে সাহিত্যিক পাঠৰ মনস্তত্ত্বৰ অধ্যয়নৰ ক্ষেত্ৰত পাঠকৰ মনস্তত্ত্বও প্ৰাসংগিক হৈ পৰে। "মনোবিশ্লেষণ

আৰু পাঠকৰ সঁহাৰি তত্ত্বই বহু দিশত পাঠকৰ মনোস্তত্ত্বমূলক অভিজ্ঞতাক অগ্ৰাধিকাৰ প্ৰদান কৰে।"[২৭]

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহত ভিন্ন বিষয়বস্তু ৰূপায়ণ কৰা হৈছে। এই বিষয়বস্তুসমূহৰ মাজেৰে তেওঁ সমাজলৈ কিছুমান বাৰ্তা আগবঢ়াইছে। এই বাৰ্তাসমূহ আগবঢ়োৱাৰ অন্তৰালত তেওঁৰ কেতবোৰ উদ্দেশ্য নিহিত হৈ আছে। ঔপন্যাসিকাই ৰচনা কৰা উপন্যাসসমূহ সামাজিক-ৰাজনৈতিক উপন্যাস। ৰাজনৈতিক উপন্যাসত সদায়েই এটা বাৰ্তা দিবলৈ চেষ্টা কৰা হয়। এইখিনিতে উনুকিয়াও যে ঔপন্যাসিকাৰ উপন্যাসসমূহত কোনো ৰাজনৈতিক ঘটনা তথা চৰিত্ৰক মূল বিষয় হিচাপে গ্ৰহণ কৰা নাই। সেই দৃষ্টিকোণৰপৰা উপন্যাসসমূহক ৰাজনৈতিক উপন্যাস হিচাপে অভিহিত কৰা হোৱা নাই। উপন্যাসসমূহত সামাজিক দায়বদ্ধতা তথা সামাজিক-ৰাজনৈতিক চিন্তনবোৰ থকাৰ বাবেহে ৰাজনৈতিক উপন্যাস বোলা হৈছে। ৰাজনীতি বুলি ক'লে সাধাৰণ অৰ্থত ৰাষ্ট্ৰ পৰিচালনা কৰাৰ নীতি-নিয়মকে বুজায় যদিও বহল অৰ্থত ই এখন ৰাষ্ট্ৰ বা সমাজৰ সমূহীয়া স্বাৰ্থৰ লগত জড়িত বিষয়সমূহকো সামৰি লয়। সামাজিক ন্যায়, সমতা, স্বাধীনতা, অধিকাৰ, শোষণ, ক্ষমতা আদি প্ৰসংগসমূহো ইয়াৰ অন্তৰ্গত। মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসৰ মূল বিশেষত্ব হৈছে প্ৰান্তীয়কৃত শ্ৰেণীৰ চিত্ৰণ। সমাজৰ প্ৰান্তীয়কৃত প্ৰসংগসমূহক তেওঁ উপন্যাসৰ প্ৰধান বিষয় হিচাপে উপস্থাপন কৰিছে। প্ৰান্তীয়কৃত শ্ৰেণীটোক সমাজৰ শক্তিশালী শ্ৰেণীটোৱে শোষণ, দমন, নিয়ন্ত্ৰণ কৰি ৰাখে। দমনৰ কথা থাকিলে তাত ক্ষমতা, কৰ্তৃত্ব, বৈষম্যৰ প্ৰসংগও আহে। উপন্যাসসমূহত দেখা গৈছে যে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত বিভিন্ন প্ৰসংগত পুৰুষ শ্ৰেণীৰদ্বাৰা নাৰী শোষিত, অৱদমিত হৈ আছে। ঔপন্যাসিকাৰ প্ৰায়কেইখন উপন্যাসতে প্ৰান্তীয় শ্ৰেণীৰ প্ৰতিনিধিস্বৰূপে নাৰী চৰিত্ৰ, সামাজিক যৌন মনস্তত্ত্বৰ দ্বাৰা অৱদমিত চৰিত্ৰ, দুৰাৰোগ্য ৰোগত ভুগি থকা সামাজিক চক্ৰত অৱদমিত কিছুমান চৰিত্ৰ প্ৰত্যক্ষ কৰা হৈছে। এই চৰিত্ৰবোৰৰ জৰিয়তে ঔপন্যাসিকাই সমাজত চলি থকা অৱদমন, মানসিক নিৰ্যাতন, কৰ্তৃত্ব, ক্ষমতা ইত্যাদি প্ৰসংগবোৰ পোহৰলৈ আনিছে। এনেদৰেই ঔপন্যাসিকাৰ উপন্যাসসমূহৰ লগত ৰাজনৈতিক চেতনা নিহিত হৈ থকা পৰিলক্ষিত হৈছে। এই দৃষ্টিকোণৰপৰাই উপন্যাসসমূহক সামাজিক-ৰাজনৈতিক উপন্যাস বুলি ক'ব পৰা যায়। সামাজিক-ৰাজনৈতিক উপন্যাস হোৱা বাবে ইয়াত ঔপন্যাসিকাই সামাজিক বা ৰাজনৈতিক বাৰ্তা দিব বিচাৰিছে। ইয়াত নাৰী পুৰুষৰ সম্পৰ্ক, শোষণ, অৱদমন, কৰ্তৃত্ব আদি বিষয়বোৰৰ মাজেৰে ঔপন্যাসিকাৰ স্পষ্ট স্থিতি প্ৰকাশ পাইছে। ঔপন্যাসিকাৰ এই স্পষ্ট স্থিতি অভিপ্ৰেত পাঠকৰ ওচৰলৈ নিয়াৰ দুৰ্বাৰ তাড়না উপন্যাসসমূহত দেখা গৈছে।

উপন্যাসসমূহ উদ্দেশ্যপ্ৰণোদিতভাৱে ৰচনা কৰা বাবে ইয়াত অৱচেতনাৰ কথাকেই চৰ্বিত চৰ্বণ কৰা হোৱা নাই। উপন্যাসসমূহৰ প্ৰকৃতিলৈ লক্ষ্য কৰিলে দেখা যায় যে ইয়াত উদ্দেশ্যপ্ৰণোদিতভাৱে যি ৰাজনৈতিক-সামাজিক চেতনা ৰূপায়ণ কৰা হৈছে তাত নিতান্তৰূপত ঔপন্যাসিকাৰ মতামত অনমনীয়। উপন্যাসৰ কিছুমান কলাত্মক দিশ থকা বাবে ঔপন্যাসিকাই সংশ্লিষ্ট প্ৰসংগত তেওঁৰ অনমনীয় মতামত প্ৰত্যক্ষভাৱে পাঠকৰ ওচৰলৈ লৈ যাব নোৱাৰে। সেয়েহে ঔপন্যাসিকাই বিষয়বস্তু চয়নৰ লগতে কথক আৰু চৰিত্ৰৰ সহায় লৈছে।

সাহিত্য সৃষ্টিৰ সময়ত কাৰ বাবে লিখিব সেয়া সাহিত্যিকৰ মন-মগজুত সোমাই থাকে। অভিপ্ৰেত পাঠকৰ মনস্তত্ত্বক প্ৰভাৱিত কৰিব পৰাকৈ ঔপন্যাসিকাই উপন্যাসৰ বিষয়বস্তু চয়ন কৰিছে। বিষয়বস্তু চয়নৰ ক্ষেত্ৰত তেওঁ সমকালীন সমাজখনকো লক্ষ্য কৰিছে। কিয়নো ঔপন্যাসিকাৰ অভিপ্ৰেত পাঠকসমূহ সেইখন সমাজৰে বাসিন্দা। ঔপন্যাসিকাই অসমীয়া ভাষাত অসমীয়া পাঠকৰ বাবে লিখা হেতুকে অসমীয়া মানুহৰ ব্যক্তিগত চৈতন্য আৰু সামাজিক মনস্তত্ত্বই ঔপন্যাসিকাৰ মনোজগতত ক্ৰিয়া কৰি থাকিব। লেখক আৰু পাঠক একেটা পটভূমিতে থকা বাবে পাঠক আৰু লেখকৰ মাজত আত্মিক সম্পৰ্ক গঢ় লৈ উঠে। আঞ্চলিক ভাষাত লিখা সাহিত্যত এই দিশটো সততেই দৃষ্টিগোচৰ হয়। পাঠকৰ সামগ্ৰিক অৱস্থিতি সম্পৰ্কে সচেতন হৈ লিখা এখন উপন্যাসত লেখকৰ বাৰ্তা পাঠকৰ ওচৰলৈ সহজে যোৱাৰ সম্ভাৱনা থাকে। কিয়নো ইয়াৰ বিষয়বস্তু চয়ন, চৰিত্ৰ নিৰ্মাণ, ভাষা প্ৰয়োগৰ পৰা আৰম্ভ কৰি সামগ্ৰিকভাৱে গোটেই উপন্যাসখনৰ নিৰ্মাণৰ ক্ষেত্ৰত ঔপন্যাসিকে অভিপ্ৰেত পাঠকৰ প্ৰতি লক্ষ্য ৰাখে।

মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসসমূহলৈ মন কৰিলে দেখা যায় যে তেওঁৰ প্ৰায়বোৰ উপন্যাসে সমাজৰ প্ৰান্তীয় শ্ৰেণীটোক লৈ ৰচনা কৰা হৈছে। প্ৰান্তীয় শ্ৰেণীটোৰ বিভিন্ন সমস্যা, সমাজত তেওঁলোকৰ স্থান, মানসিক নিৰ্যাতন আদিক তেওঁ উপস্থাপন কৰিছে। বিশেষকৈ তেওঁৰ প্ৰায়বোৰ উপন্যাসৰে মূল বিষয় হৈছে নাৰী। সমাজ তথা পৰিয়ালত সমাজৰ প্ৰান্তীয় শ্ৰেণী নাৰীয়ে সন্মুখীন হোৱা শাৰীৰিক-মানসিক নিৰ্যাতন, পুৰুষতান্ত্ৰিক বাগ্‌ধাৰাই নাৰীৰ ওপৰত চলোৱা মানসিক অৱদমনৰ চিত্ৰ অংকন কৰিছে। তেওঁৰ উপন্যাসসমূহত এই বিষয়সমূহ আগবঢ়াই দি অভিপ্ৰেত পাঠকৰ চিন্তাৰ দুৱাৰ মুকলি কৰিব বিচাৰিছে। ঔপন্যাসিকা নিজেও এগৰাকী নাৰী হোৱাৰ লগতে তেওঁৰ উপন্যাসত নাৰী প্ৰসংগসমূহে যথেষ্ট অগ্ৰাধিকাৰ পোৱা হেতুকে নিশ্চিত ৰূপত নাৰী পাঠকক আকৰ্ষণ কৰাটো স্বাভাৱিক। গতিকে পুৰুষতান্ত্ৰিক বাগ্‌ধাৰাৰ আঁৰত চকুমুদি সকলো অত্যাচাৰ নিৰৱে সহি থকা পাঠকৰ মনস্তত্ত্বক যাতে এই বিষয়বোৰে প্ৰভাৱিত কৰে আৰু

শোষিতা, নিৰ্যাতিতা নাৰীসকলে যাতে নিজৰ অস্তিত্বৰ প্ৰতি সজাগ হৈ উঠে তাৰবাবে এই বিষয়সমূহ উপস্থাপন কৰা হৈছে। এই প্ৰসংগত ঔপন্যাসিকাই এনেদৰে মতপোষণ কৰিছে—

> আচলতে মই উপন্যাস লিখাৰ উদ্দেশ্য এইটোৱে আছিল যে যুগ যুগ ধৰি চৌকাৰ ওচৰত ওৰণি টানি যিসকল নাৰী বহি আছে তেওঁলোকৰ অন্তৰৰ বহু কথাই ক'বলগীয়া থাকে। কিন্তু তেওঁলোকে সেইবোৰ প্ৰকাশ কৰাৰ সুযোগ নাপায়। এগৰাকী নাৰীয়ে স্বামী বা পৰিয়ালৰ মানুহৰপৰা যিখিনি উৎসাহ তথা সমৰ্থন পাব লাগে সেইখিনি সমাজৰ বহু নাৰীয়ে নাপায়। মই এইবিলাক কথা লোকৰ মুখেৰে শুনাৰ উপৰি প্ৰত্যক্ষদৰ্শীও। এইসকল নাৰীৰ প্ৰতিনিধি হিচাপে মই কলম তুলি লৈছো। তেওঁলোকে বিভিন্ন কাৰণবশতঃ ক'বলৈ সক্ষম নোহোৱা কথাবোৰ তেওঁলোকৰ হৈ মই কৈছো। সেয়েহে মই উপন্যাসৰ বিষয়বস্তুৰ ক্ষেত্ৰত ভিন্নতা আনিবলৈ যত্ন কৰোঁ। উপন্যাসৰ কাহিনীতেই যে অকল চৰিত্ৰসমূহ পীড়িত হৈ আছে সেয়া নহয়; বাস্তৱতো এনেধৰণৰ প্ৰসংগসমূহৰ দ্বাৰা পীড়িত হোৱা বহু লোক আছে। পাঠকে যেতিয়া পাঠৰ লগত নিজৰ অৱস্থাৰ সাদৃশ্য লক্ষ্য কৰিব তেতিয়া তেওঁলোকে কি কৰা উচিত হ'ব বা কেনেকৈ পৰিস্থিতিক গ্ৰহণ কৰিব সেয়া সিদ্ধান্ত নিজেই ল'ব পাৰিব। উপন্যাস লিখাৰ আগতে মই যেতিয়া বিষয় এটা নিৰ্বাচন কৰি লওঁ তেতিয়া মই ভাবো যে এই বিষয়টো সম্পৰ্কত বহুতো প্ৰবন্ধ নিশ্চয় আছে। কিন্তু যদিহে মই এই বিষয়সমূহক লৈ উপন্যাস লিখোঁ তেতিয়া পাঠকে বিষয় সম্পৰ্কত জ্ঞান কাহিনীৰ মাজেৰে লাভ কৰিব। এই জ্ঞান অৰ্জন কৰাৰ পিছত পাঠকে নিজৰ কৰণীয় সম্পৰ্কত নিজেই সিদ্ধান্ত গ্ৰহণ কৰিবলৈ উপযুক্ত হয়।[২৮]

উপন্যাসসমূহত অভিপ্ৰেত পাঠকৰ মনস্তত্ত্ব সম্পৰ্কে ঔপন্যাসিকাৰ সচেতন অন্তৰ্দৃষ্টি প্ৰকাশ পাইছে। ঔপন্যাসিকাৰ লগত হোৱা কথোপকথনত গম পোৱা গৈছে যে ব্যক্তিগত জীৱনত লগ পোৱা বিভিন্ন চৰিত্ৰৰপৰাই তেওঁৰ উপন্যাসৰ বীজ গ্ৰহণ কৰিছে। তেওঁ যিবোৰ উপন্যাস লিখিছে, যিখিনি মানুহৰ বাবে লিখিছে সেইখিনি মানুহ তেওঁৰ চিনাকী। তেওঁ ব্যক্তিগতভাৱে অনুভৱ কৰিছে যে এই মানুহখিনিক সচেতন কৰাৰ দায়িত্ব তেওঁৰ আছে। এই মানৱীয় সংবেদনশীল চৈতন্যটোৱে প্ৰকৃততে তেওঁৰ উপন্যাস ৰচনাৰ সামগ্ৰিক প্ৰক্ৰিয়াটো অভিপ্ৰেত পাঠকৰ মনস্তত্ত্বৰ জ্ঞানত এক এৰাব নোৱাৰা প্ৰপঞ্চ লৈ পৰিণত কৰিছে। গতিকে ইয়াত পাঠকৰ মনস্তত্ত্বই লেখকক কেনেদৰে প্ৰভাৱ পেলাইছে সেয়া আটাইতকৈ জৰুৰী হৈ পৰিছে। ঔপন্যাসিকাই যিখিনি পাঠকৰ

বাবে লিখিছে সেই পাঠক শ্ৰেণীৰ সমস্যা তথা মনস্তত্ত্ব সম্পৰ্কে জ্ঞাত। সেয়েহে পাঠক শ্ৰেণীৰ সমস্যা, তেওঁলোকৰ সমাজ-ৰাজনৈতিক, মনস্তাত্ত্বিক প্ৰেক্ষাপটৰ প্ৰতি লক্ষ্য ৰাখি ঔপন্যাসিকাই উপন্যাস ৰচনা কৰিছে। এই দিশৰপৰাই তেওঁৰ উপন্যাসৰ বিশ্লেষণত পাঠকৰ মনস্তত্ত্বৰ অধ্যয়নো জৰুৰী।

ঔপন্যাসিকাৰ *অৰুন্ধতী* উপন্যাসত কেন্দ্ৰীয় চৰিত্ৰ অনন্যাই বৈবাহিক জীৱনত লাভ কৰা বিভিন্ন সমস্যা ৰূপায়ণ কৰাৰ লগতে অনন্যাই সেইবোৰৰ পৰা মুক্ত হোৱাৰ ৰাস্তাও নিৰ্মাণ কৰা হৈছে। আমাৰ সমাজত বৰ্তমানেও বিবাহ-বিচ্ছেদৰ বাবে নাৰীক দোষাৰোপ কৰা হয় আৰু তেনে নাৰীৰ দ্বিতীয় বিবাহৰ ক্ষেত্ৰত বিভিন্ন সমস্যাৰ সৃষ্টি হয়। বিবাহ বিচ্ছেদিত পুৰুষৰ দ্বিতীয় বিবাহৰ ক্ষেত্ৰত কোনোধৰণৰ সমস্যাই মূৰ দাঙি উঠা দেখা নাযায়। তেওঁলোকে অনায়াসে সমাজ তথা পৰিয়ালৰপৰা দ্বিতীয় বিবাহৰ অনুমতি লাভ কৰে। গতিকে যিসকল নাৰী পাঠক এইধৰণৰ সমস্যাৰ ভুক্তভোগী হৈ আছে তেওঁলোকৰ মনস্তত্ত্বৰ প্ৰতি গুৰুত্ব প্ৰদান কৰা হৈছে। বিভিন্ন প্ৰত্যাহ্বান অতিক্ৰম কৰি অনন্যাই অৱশেষত দ্বিতীয় বিবাহত বহিছে। গতিকে এইধৰণৰ সমস্যাৰে জৰ্জৰিত পাঠকেও নিজৰ অধিকাৰ, সামাজিক স্বীকৃতি লাভৰ বাবে অৰ্থাৎ নিজৰ অস্তিত্বৰ যুঁজত অগ্ৰসৰ হ'বলৈ আগবাঢ়িব পাৰিব। উপন্যাসখনৰ মাজেৰে পাঠকশ্ৰেণীলৈ এই বাৰ্তা দিবলৈ বিচৰা হৈছে। অৰ্থাৎ সামাজিক বা পৰিয়ালকেন্দ্ৰিক যিকোনো সমস্যাতে মনত সাহস, ধৈৰ্য্য আৰু ইচ্ছাকাংক্ষা থাকিলে নাৰীয়ে থানবান হৈ পৰাৰ পিছতো পুনৰ নতুন জীৱন উদযাপন কৰাটো সম্ভৱ হৈ উঠে।

*বন্ধ ঘৰৰ খিৰিকী* উপন্যাসখনত সন্তানৰদ্বাৰা পৰিত্যক্তা এগৰাকী বৃদ্ধাই বৃদ্ধাশ্ৰমত আশ্ৰয় ল'বলগীয়া হোৱাৰ মৰ্মস্পৰ্শী বৰ্ণনা আগবঢ়োৱা হৈছে। বৰ্তমান সময়ত এই বিষয়টো সমাজৰ এক ব্যাধি হিচাপে দেখা দিছে। সন্তানক লালন-পালন কৰি উপযুক্ত কৰি তোলা মাক-দেউতাকৰ বৃদ্ধাৱস্থাৰ দায়িত্ব সন্তানে ল'বলৈ অস্বীকাৰ কৰে। এনে সন্তানৰ বাবে মাক-দেউতাক এটা সময়ত বোজা হৈ পৰে। বৃদ্ধ পিতৃ-মাতৃৰ আশা-আকাংক্ষাক সন্তানে গুৰুত্ব নিদিলেও পিতৃ-মাতৃয়ে জীৱনৰ শেষ মুহূৰ্তলৈকে সন্তানৰ সাহচৰ্য বিচাৰি দিন কটায়। জীৱনৰ অন্তিম সময়ত মাক-দেউতাকক বোজা বুলি ভবা সন্তানৰ মানসিকতা সলনি কৰিব বিচাৰিয়েই উপন্যাসখন ৰচনা কৰা হৈছে। আমাৰ সমাজত কাঠফুলাৰ দৰে নিতৌ বৃদ্ধাশ্ৰমৰ সংখ্যা বাঢ়ি গৈ আছে। সমাজৰ অনাকাংক্ষিত এই সমস্যাটো সমাধান কৰাৰ লগতে বৃদ্ধ পিতৃ-মাতৃৰ দায়িত্ব সুচাৰুৰূপে গ্ৰহণ কৰি তেওঁলোকক নিজৰ ঘৰতেই সন্মান সহকাৰে থকাৰ ব্যৱস্থা পাঠকশ্ৰেণীয়ে কৰাতো ঔপন্যাসিকাই বিচাৰিছে। ঔপন্যাসিকাৰ পাঠকশ্ৰেণীৰ মাজতো হয়তো এনেকুৱা সন্তান আছে যিয়ে পিতৃ-মাতৃক বৃদ্ধাৱস্থাত

অৱহেলা কৰি আহিছে। কিয়নো এই বিষয়টো বৰ্তমান সময়ত একেবাৰে সুলভ হৈ পৰিছে। এই শ্ৰেণীৰ পাঠকৰ মনস্তত্ত্বৰ প্ৰতি লক্ষ্য ৰাখিয়েই ঔপন্যাসিকাই *বন্ধ ঘৰৰ খিৰিকী* উপন্যাসখন ৰচনা কৰিছে। ঔপন্যাসিকাই উপন্যাসখন ৰচনা কৰা সম্পৰ্কত কোৱা কথাষাৰে এই শ্ৰেণীৰ পাঠকৰ মনস্তত্ত্বৰ প্ৰতি লক্ষ্য ৰাখিয়েই যে ৰচনা কৰিছে সেয়া স্পষ্ট হৈ উঠিছে। ঔপন্যাসিকাই উপন্যাসখনৰ পাতনিত কৈছে—

> আজি এই উপন্যাস শেষ কৰিছোঁ, ইয়াৰ মাজেৰেই আশা ৰাখিছোঁ যে আমাৰ সমাজলৈ যদিও বৃদ্ধাশ্ৰম আহিছে, আমি যেন আদৰেৰে আমাৰ জন্মদাতাক আমাৰ মাজতে ৰাখোঁ। যি হৃদয়ৰে জন্মদাতাই আমাক প্ৰতিপালন কৰিছিল, ৰক্ষণাবেক্ষণ দিছিল, সকলো অশুভৰপৰা আঁতৰাই ৰাখিছিল, দীক্ষা দিছিল মানুহ হোৱাৰ, সেই হৃদয়, সেই শৰীৰ আজি ক্লান্ত। এই ক্লান্তিক যদি আমি আমাৰ আদৰেৰে আবৰি ৰাখোঁ, কি এনে ক্ষতি হয়!

ওপৰৰ উক্তিটোত ঔপন্যাসিকাই উল্লেখ কৰা 'আমি' আৰু 'আমাৰ' প্ৰসংগ মনকৰিবলগীয়া। ইয়াৰ জৰিয়তে লেখক আৰু পাঠকৰ মাজত এক আন্তঃসম্পৰ্কৰ কথা নিৰ্দেশ কৰা হৈছে। অৰ্থাৎ লেখিকাই পাঠকৰ লগত নিজকো সাঙুৰি লৈছে। কিয়নো ইয়াত পাঠকৰ সৈতে লেখকৰ পটভূমি একেই। মানসিকভাৱে লেখিকাও পাঠকৰ সৈতে সংযুক্ত হৈ আছে। লেখিকা আৰু পাঠক একেখন সমাজত একেটা পটভূমিতে বাস কৰে। সেয়েহে লেখকে যিবোৰ অভিজ্ঞতাৰ সন্মুখীন হৈছে তেওঁৰ পাঠক শ্ৰেণীয়েও একেখিনি সমস্যা তথা অভিজ্ঞতাৰ সন্মুখীন হৈছে। লেখিকা আৰু পাঠকৰ সামাজিক মনস্তত্ত্ব একেই হৈ পৰিছে। সেয়েহে ঔপন্যাসিকাই 'আমি' আৰু 'আমাৰ' প্ৰসংগ ব্যৱহাৰ কৰিছে। ইয়াৰ জৰিয়তে লেখক আৰু পাঠকৰ পটভূমি আৰু সামাজিক মনস্তত্ত্ব যে একেই সেয়া প্ৰতিপন্ন কৰা হৈছে। এনেস্থলত লেখকৰ সৈতে পাঠকৰ মনস্তাত্ত্বিক সম্পৰ্ক সহজেই গঢ় লৈ উঠে। লেখকৰ বক্তব্য তথা বাৰ্তাই অভিপ্ৰেত পাঠকৰ অন্তৰ স্পৰ্শ কৰে।

সমাজত সামাজিক ঔচিত্যতা প্ৰদান নকৰাৰ ফলত সমকামীসকলে মুক্তভাৱে যৌনাকাংক্ষা পূৰণ কৰিব নোৱাৰাৰ ফলত বিভিন্ন ধৰণৰ অসামাজিক কামত লিপ্ত হৈ পৰে। *মুক্তি* উপন্যাসখনে এই ধৰণৰ মানসিকতা বহন কৰি থকা পাঠকসকলৰ দৃষ্টিভংগী সলনি কৰাত অগ্ৰণী ভূমিকা পালন কৰিব। সমকামীসকলেও এক প্ৰাকৃতিক যৌন প্ৰবৃত্তিকেই বহন কৰি আছে। গতিকে তেওঁলোকক অন্য দৃষ্টিৰে চোৱাৰ কোনো অৱকাশ নাথাকে। পুৰুষে নাৰীৰ প্ৰতি আৰু নাৰীয়ে পুৰুষৰ প্ৰতি পোষণ কৰা যৌনাকৰ্ষণৰ দৰে নাৰীয়ে নাৰীৰ প্ৰতি বা পুৰুষে পুৰুষৰ প্ৰতি আকৰ্ষিত হৈ পৰাটোও

স্বাভাৱিক। সেয়েহে এওঁলোকক স্বাভাৱিকভাৱে যৌন প্ৰবৃত্তি পূৰণ কৰাৰ সুবিধা কৰি দিলে সমাজত সমকামীসকলৰ দ্বাৰা এনেধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত ন'হ'ব। সমাজৰ লোকৰ সমকামীৰ প্ৰতি থকা ধাৰণাৰ পৰিৱৰ্তন আৱশ্যকীয়। ঔপন্যাসিকাৰ অভিপ্ৰেত পাঠকৰ এইধৰণৰ মানসিকতা গঢ়ি তোলাৰ লগতে সমাজত আদৰ্শবাদক উপলক্ষ্য কৰি গঢ়ি উঠা ঔচিত্যতা সম্পৰ্কে সচেতনতা গঢ়ি তুলিব বিচৰা হৈছে।

সমাজৰ এচাম লোকে নিজৰ স্বাৰ্থৰ বাবে নাৰীক ডাইনী আখ্যা দি শাৰীৰিক, মানসিক নিৰ্যাতন কৰাৰ জীৱন্ত চিত্ৰ *চামিয়ানা* উপন্যাসখনত ৰূপায়ণ কৰা হৈছে। নিৰ্যাতনৰ বলি হোৱা নাৰীসকলৰ দুখ-যন্ত্ৰণাই পাঠক শ্ৰেণীৰ অন্তৰ স্পৰ্শ কৰিছে। তেওঁলোকৰ শৰীৰৰ ওপৰত যি অমানুষিক নিৰ্যাতন চলাইছে সেই অত্যাচাৰৰ বৰ্ণনাই প্ৰতিজন পাঠকৰ অন্তৰ শিহঁৰিত কৰি তুলিছে। পাঠকে ডাইনী নিৰ্যাতনৰ বলি হোৱা নাৰীসকলৰ প্ৰতি সহানুভূতিশীল হৈ উঠিছে। গাঁৱৰ মানুহৰ অত্যাচাৰৰ বলি হোৱা ভদ্ৰেশ্বৰীক উদ্ধাৰ কৰিবলৈ যোৱা শ্বেতাই নিজেই আক্ৰমণৰ বলি হৈ গৰ্ভস্থ সন্তানক হেৰুওৱা দৃশ্যইও পাঠকৰ অন্তৰ সিক্ত কৰি তুলিছে। ডাইনী সমস্যাৰ বিষয়টো পাঠকৰ মনস্তত্ত্বত প্ৰভাৱ পেলোৱাকৈ উপস্থাপন কৰাৰ লগতে ডাইনী সৃষ্টি কৰাৰ কাৰণসমূহো ঔপন্যাসিকাই ফঁহিয়াই দেখুৱাইছে। ইয়াৰ জৰিয়তে পাঠক সমাজ নিশ্চিত ৰূপত সতৰ্ক হৈ পৰিব। নাৰীসকলেও তেওঁলোকৰ ওপৰত আৰোপ কৰা অযুক্তিকৰ ধাৰণাসমূহৰ প্ৰতি সজাগ হৈ এইবোৰৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ বাবে মানসিকভাৱে প্ৰস্তুত হ'ব। ইয়াৰ সমান্তৰালভাৱে সমাজত ঘটি থকা এনেধৰণৰ ঘটনাৰো নিৰ্মূল হৈ এক অন্ধবিশ্বাস আৰু কুসংস্কাৰমুক্ত আধুনিক সমাজ গঢ় লৈ উঠিব।

বিবাহ বহিৰ্ভূত যৌন সম্পৰ্কই পৰিয়াল এটা কিদৰে ধ্বংস কৰি পেলায় সেয়া *মই ডেচডিমʼনা হ'ব খোজোঁ* উপন্যাসখনত উপস্থাপন কৰা হৈছে। বিষয়টো উপস্থাপনৰ জৰিয়তে তেওঁ পাঠক সমাজৰ মাজত সজাগতা সৃষ্টি কৰিব বিচাৰিছে। আমাৰ সমাজত এনেকুৱা বহুত মানুহ আছে যিয়ে নিজৰ জৈৱিক ক্ষুধাক অগ্ৰাধিকাৰ প্ৰদান কৰি ব্যভিচাৰিতাত লিপ্ত হয়। এই কাৰ্যই সমাজ তথা পৰিয়ালত এক বিষাক্ত বাতাৱৰণৰ সৃষ্টি কৰে। এই শ্ৰেণীৰ মানুহৰ মানসিকতাৰ প্ৰতি লক্ষ্য ৰাখি ঔপন্যাসিকাই বিবাহ বহিৰ্ভূত যৌন সম্পৰ্কৰ নেতিবাচক দিশটো উপস্থাপন কৰিছে। উপন্যাসখনত নয়নাৰ মামীয়েক আৰু দেউতাকৰ অবৈধ সম্পৰ্কই অকল নয়নাৰ পৰিয়ালটোলৈ বিপৰ্যয় নমাই অনাই নহয় মামীয়েকৰ একমাত্ৰ সন্তান দীপুৰ জীৱনতো ই বিৰূপ প্ৰভাৱ পেলাইছিল। এই সকলো ঘটনাৰ প্ৰভাৱতে দীপু মানসিকভাৱে ব্যতিব্যস্ত হৈ পৰাৰ লগতে আত্মহত্যা কৰিছিল। মামীয়েকৰ যি কাৰ্যৰ বাবে নয়নাৰ মাকে আত্মহত্যা কৰিবলৈ বাধ্য হৈছিল সেই কাৰ্যৰ বিষম

পৰিণতি মামীয়েকে নিজেও ভোগ কৰিবলগীয়া হৈছিল। ঔপন্যাসিকাই এইধৰণৰ স্পৰ্শকাতৰ বিষয়ৰ প্ৰতি পাঠকৰ দৃষ্টিগোচৰ কৰিছে।

*সন্ধ্যা* উপন্যাসত অবৈধ যৌন সম্পৰ্ক তথা জৈৱিক তাড়নাৰ বাবেই যে সমাজত এইড্ছ্ৰ দৰে ভয়াবহ ৰোগ বৃদ্ধি হৈ আছে তাৰ প্ৰতি পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিব বিচৰা হৈছে। পাঠকশ্ৰেণীয়ে এই দিশসমূহৰ গুৰুতৰ পৰিণতিৰ প্ৰতি লক্ষ্য ৰাখি সেইবোৰৰ পৰা শাৰীৰিক, মানসিকভাৱে যাতে দূৰত অৱস্থান কৰে সেয়াই উপন্যাসখনৰ অভিপ্ৰেত উদ্দেশ্য। বিবাহ বিচ্ছেদ বৰ্তমান সময়ত সততে দৃষ্টিগোচৰ হোৱা এক সামাজিক সমস্যা। সাংসাৰিক জীৱনত পৰস্পৰৰ লগত অসুখী দম্পতীয়ে বিবাহ বিচ্ছেদ প্ৰক্ৰিয়াৰে আইনসন্মতভাৱে বিচ্ছিন্ন হয়। বিবাহ বিচ্ছেদ স্বামী-স্ত্ৰীৰ মাজত হয় যদিও ইয়াৰ ভুক্তভোগী সন্তানো হ'বলগীয়া হয়। পিতৃ-মাতৃৰ বিচ্ছেদৰ সিদ্ধান্তই সন্তানৰ জীৱনত পেলোৱা প্ৰভাৱৰ বিষয়ে ৰূপায়ণ কৰা হৈছে *সন্ধ্যা* উপন্যাসত। পিতৃ-মাতৃৰ বিবাহ বিচ্ছেদে পাৰ্থৰ মানসিকতাত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। মাক অবিহনেও যে ৰাজকুমাৰৰ দৰে জীৱন নিৰ্বাহ কৰি আছে সেয়া প্ৰতিপন্ন কৰিব গৈ পাৰ্থই মদ আৰু নাৰীক জীৱনৰ সংগী কৰি লৈছিল। যাৰ পৰিণতিত এটি পৰিয়াল সম্পূৰ্ণৰূপে ধ্বংস হৈছিল। ঔপন্যাসিকাই মানুহৰ জীৱনৰ এই গুৰুত্বপূৰ্ণ সমস্যাটোৰ প্ৰতি পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিছে। পাঠকশ্ৰেণীয়ে বিবাহ বিচ্ছেদে সন্তানৰ জীৱনত পেলোৱা প্ৰভাৱৰ লগত পৰিচয় হৈ এনেধৰণৰ সিদ্ধান্ত গ্ৰহণৰ সময়ত বিষয়টোৰ গম্ভীৰতাৰ প্ৰতি সতৰ্ক হোৱাৰ অৱকাশ সৃষ্টি কৰিব।

আমাৰ সমাজত হিন্দু-মুছলমানৰ মাজত এখন প্ৰাচীৰ প্ৰাচীন কালৰপৰাই থিয় হৈ আছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে কিছু শিথিল হ'লেও বৈবাহিক সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত ই গুৰুতৰ বিষয় হৈ উঠে। ল'ৰা-ছোৱালীৰ মাজত প্ৰেমৰ সম্পৰ্ক স্থাপন হ'লেও কেৱল ধৰ্মীয় গোড়ামিৰ বাবেই এই সম্পৰ্কবোৰ ভাঙি পেলোৱা হয়। বৈবাহিক সম্পৰ্ক দৃঢ় আৰু শক্তিশালী হ'বৰ বাবে ল'ৰা-ছোৱালীৰ মাজত আত্মিক সম্পৰ্ক তথা ল'ৰা-ছোৱালীৰ স্বভাৱ-চৰিত্ৰ, পাৰস্পৰিক আকৰ্ষণ মূল বিষয়। ধৰ্ম, সমাজ আদি প্ৰসংগসমূহ গৌণহে। এই বিষয়টোৰ ক্ষেত্ৰত সমাজৰ লোকসকলৰ মানসিক চিন্তা-ধাৰাৰ পৰিৱৰ্তন খুবেই আৱশ্যকীয়। মণিকুন্তলা ভট্টাচাৰ্যৰ *সন্ধ্যা* উপন্যাসত এই বিষয়টোৱেই উপস্থাপন কৰা হৈছে। ধৰ্মীয় গোড়ামিৰ বাবে সন্ধ্যা আৰু চাবেৰাক প্ৰেমিকৰ সৈতে বিয়াত বহিব দিয়াৰ সলনি অন্য পুৰুষৰ সৈতে বিয়া দিয়া হৈছে। যাৰ বিষম পৰিণতি দুয়োটা চৰিত্ৰই ভোগ কৰিছে। সন্ধ্যা আৰু চাবেৰাক নিজৰ পছন্দমতে মনে মিলা মানুহজনৰ সৈতে বৈবাহিক সম্পৰ্ক স্থাপনৰ অনুমতি প্ৰদান কৰিলে তেওঁলোকৰ জীৱন হয়তো যন্ত্ৰণাময় হৈ

নুঠিলহেঁতেন। বিবাহৰ প্ৰসংগত ধৰ্মীয় গোড়ামি, সমাজ ব্যৱস্থা আদি আৱেগ-অনুভূতিতকৈ উৰ্ধত হৈ পৰে। এনে পৰিস্থিতিত বৈবাহিক জীৱনত বিভিন্ন সমস্যা, বিবাহ বিচ্ছেদ, বিবাহ বহিৰ্ভূত প্ৰেম আদি সঘনাই ঘটা পৰিলক্ষিত হৈছে। ঔপন্যাসিকাই এইধৰণৰ বিষয়সমূহ পৰম্পৰাগত ধৰ্মীয়, সামাজিক মতাদৰ্শ বহনকাৰী পাঠকৰ মনস্তত্ত্বক উপলক্ষ্য কৰি ৰচনা কৰিছে।

পাঠকৰ সৈতে কথা পাতিবলৈ ঔপন্যাসিকাই বহুসময়ত কথক আৰু চৰিত্ৰক মাধ্যম হিচাপে গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। অৰ্থাৎ কথক আৰু চৰিত্ৰৰ মাধ্যমেদি ঔপন্যাসিকাই নিজৰ বক্তব্য বিষয় তথা মতামত পাঠকৰ ওচৰলৈ লৈ গৈছে। ঔপন্যাসিকাৰ *মই ডেচডিম'না হ'ব খোজোঁ* উপন্যাসত জীৱনৰ বিভিন্ন প্ৰতিকূল পৰিস্থিতিত চৰিত্ৰসমূহ ভাৰাক্ৰান্ত হৈছে। সেয়া হ'লেও কাৰো জীৱন স্থবিৰ হৈ পৰা নাই। জীৱনৰ বিভিন্ন দুখ-যন্ত্ৰণাৰ মাজতো প্ৰত্যেকেই নিৰ্দিষ্ট কক্ষপথত বিচৰণ কৰিবই লাগিব। উপন্যাসখনত কথকৰ জৰিয়তে ঔপন্যাসিকাই জীৱনত বিভিন্ন ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈ জীয়াই থাকিবলৈ অক্ষমতা প্ৰকাশ কৰা পাঠক শ্ৰেণীলৈ জীৱন জীয়াৰ প্ৰেৰণা প্ৰদান কৰিছে এনেদৰে—"জীৱন এনে দুৰ্দম শক্তিশালী যে ই কাৰো অধীন নহয়, সমাজ...সময় অথবা সংস্কাৰ। ই তাৰ প্ৰাপ্তিলৈ অনেক লাঞ্ছনাৰে হ'লেও আগুৱায়। মৃত্যুক মূৰ পাতি লৈও জীৱন আগুৱায় তাৰ প্ৰাপ্তিৰ লক্ষ্যলৈ...।"[২৯] মানুহৰ জীৱন সময়, সমাজ তথা সংস্কাৰ কাৰোৰেই বশতীৰ্ণ নহয়। এই সকলোবোৰ বিষয় আপেক্ষিকহে। এই বিষয়সমূহে কোনো কোনো পৰিস্থিতিত জীৱনৰ গতি শিথিল কৰিলেও স্থবিৰ কৰিব নোৱাৰে।

*অনুৰোধ* উপন্যাসতো এই বাৰ্তাটোৰেই কথকৰ মাধ্যমেৰে পাঠকক দিব বিচৰা হৈছে। মানুহৰ জীৱন সুখ-দুখৰ সমষ্টি। সুখৰ লেখিয়াকৈ দুখো চিৰস্থায়ী নহয়। এটা সময়ত মানুহৰ দুখৰ দিনৰো অৱসান ঘটে। গতিকে ক্ষন্তেকীয়া দুখ-যন্ত্ৰণাত মানুহ বিধস্ত হৈ পৰাটো উচিত নহয়। সৰ্বস্ব হেৰুওৱাৰ পিছতো মানুহে পুনৰ নিজক গঢ়ি তুলিব পাৰে। উপন্যাসখনত কথকে কৈছে—"এৰা, মানৱ জীৱনতেই এয়া সম্ভৱ। যিমান দুখ-যন্ত্ৰণা নাহক জীৱনলৈ, সময়ত সকলো পাহৰি পেলায় মানুহে। পাহৰি গৈ থাকে। সেয়েহে শ্ৰাদ্ধৰ পাছত পাতিব পাৰে জন্মদিন এই মানুহেই। ভূ-লুণ্ঠিত হৈও পুনৰ ওপৰলৈ তুলিব পাৰে মুষ্টিবদ্ধ হাত।"[৩০] ৰঘুপতি দাসৰ জীৱন প্ৰসংগত কথকে এই উক্তি কৰিছে যদিও এয়া সমগ্ৰ পাঠক শ্ৰেণীক উদ্দেশ্য কৰি কৰা উক্তি। জীৱনৰ দুখ-কষ্টত সহজতে ভাগি পৰা পাঠক শ্ৰেণীৰ মনস্তত্ত্বক প্ৰভাৱিত কৰিব পৰাকৈ ঔপন্যাসিকাই কথকৰ মাধ্যমেৰে উক্ত কথাষাৰ কৈছে। আধুনিক সমাজত বাস কৰা ব্যক্তিয়ে নানা কাৰণবশতঃ জীৱনৰ সৈতে সামঞ্জস্য ৰাখিব নোৱাৰি মানসিক ভাৰসাম্যহীনতাত ভোগা সততে দৃষ্টিগোচৰ হোৱা এক

বিষয়। এনে পৰিপেক্ষিতত ঔপন্যাসিকাৰ অভিপ্ৰেত পাঠক শ্ৰেণীক মানসিকভাৱে দৃঢ় আৰু শক্তিশালী কৰি তোলাটোৱেই ঔপন্যাসিকাৰ উদ্দেশ্য।

*যমুনা* উপন্যাসত স্বামী-সন্তানৰ মৃত্যুত অকলশৰীয়া হৈ পৰা যমুনাই সমাজৰ পৰাও অৱহেলা পাইছিল। যমুনাৰ দৰে সমাজৰ প্ৰতিগৰাকী বিধৱা নাৰী এনে ব্যৱস্থাৰ ভুক্তভোগী। স্বামীৰ মৃত্যু ঘটাৰ লগে লগে নাৰী এগৰাকীয়ে সমাজত অস্পৃশ্যৰ লেখিয়া ব্যৱহাৰৰ সন্মুখীন হয়। কোনো সামাজিক আনন্দ উৎসৱত এই নাৰীসকলৰ সক্ৰিয় অংশগ্ৰহণ সমাজৰ কাম্য নহয়। সমাজৰ অন্যান্য নাৰীসকলেই তেওঁলোকৰ আচাৰ-আচৰণৰ জৰিয়তে বিধৱা নাৰীসকলক আচুতীয়া স্থানত অৱতীৰ্ণ কৰায়। যাৰ পৰিপেক্ষিতত বিধৱা নাৰীসকলে জীয়াই থকা দিনকেইটা মানসিক হীনমান্যতাত সংকুচিতভাৱে কটাবলগীয়া হয়। বিধৱা নাৰীসকলেও সমাজৰ আন মানুহৰপৰা আন্তৰিকতাপূৰ্ণ ব্যৱহাৰ বিচাৰে। বিধৱা হোৱাৰ বাবেই এইসকল নাৰীক স্বাধীনভাৱে জীয়াই থকাৰ পৰা বঞ্চিত কৰাটো অযুক্তিকৰ। তাৰ পৰিৱৰ্তে মানসিক সাহচৰ্য প্ৰদান কৰি জীয়াই থকা দিনবোৰ সহজ কৰি তোলাটোৱেই প্ৰকৃত মানৱীয়তা। স্বামীক হেৰুৱাই এনে নাৰী ইতিমধ্যেই মানসিকভাৱে ভাঙি পৰে। তেনেস্থলত সমাজৰ মানুহৰ তিক্ততাময় আচৰণে তেওঁলোকৰ বাবে প্ৰতিটো দিনেই বিষময় কৰি তোলে। উপন্যাসখনত যমুনাই সন্মুখীন হোৱা এনে পৰিস্থিতিৰ চিত্ৰণ কৰাৰ জৰিয়তে ঔপন্যাসিকাই সমাজত বিষবাষ্প কঢ়িয়াই ফুৰা মানুহৰ মানসিকতা পৰিৱৰ্তন হোৱাটো বিচাৰিছে। ইয়াত কেন্দ্ৰীয় চৰিত্ৰৰ জৰিয়তে ঔপন্যাসিকাই এগৰাকী বিধৱা নাৰীৰ ইচ্ছাকাংক্ষা ব্যক্ত কৰিছে। ঔপন্যাসিকাই তেওঁৰ অভিপ্ৰেত পাঠকক এইধৰণৰ সমাজ তথা ব্যক্তি মানসিকতা পৰিৱৰ্তনৰ বাৰ্তা দিছে কথকৰ মাধ্যমেৰে—

> হয় হয়, বলোভদ্ৰৰ দৰে পল্লৱীৰ দৰেই আৰু কোনোবাজন দূৰৈত হ'লেও ৰওকহি। কোনেও তাইক ঢাক-ঢোল বজাই মনোৰঞ্জন দিব নালাগে, কিন্তু একালৰ সংগীসকলৰ পৰা যৎসামান্যতম হ'লেও তাই সঁহাৰি আশা কৰে। 'কি কৰিব, মানুহৰ কপালৰ লিখন কোনে খণ্ডাব।' কওক, এনেধৰণৰ কিবা এষাৰকে কওকহি। কিন্তু এনেদৰে, আঃ এনেদৰে কক্ষচ্যুত তাৰকাৰ ব্যৱহাৰ নিবিচাৰে তাই। হয়, এতিয়াও সকলো ধ্বংস পোৱাৰ পিছতো একালৰ মানুহবোৰৰ মাজতে এটা শোকৰ ক'লা পতংগ হৈ জী ৰ'ব খোজে তাই, সহজাত মৃত্যুৰ প্ৰাৰ্থনাৰে অতিক্ৰম কৰিব খোজে জীৱনৰ পথ।[৩১]

পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত শোষিত, বঞ্চিত, অৱহেলিত নাৰীৰ চিত্ৰ এক সততে দৃষ্টিগোচৰ

হোৱা বিষয়। *বাঁহী* উপন্যাসত নয়নতৰাৰ জৰিয়তে নাৰী অৱদমনৰ বিষয়টোৰ প্ৰতি অভিপ্ৰেত পাঠকৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে। এগৰাকী নাৰীয়ে সৰুৰেপৰা লাভ কৰি অহা মানসিক অৱদমনৰ কথা কোৱা হৈছে উপন্যাসখনত। নয়নতৰাৰ মানসিক অৱস্থাৰ বৰ্ণনা প্ৰসংগত কথকে কৈছে— "দীৰ্ঘনিশ্বাস এৰিলে নয়নতৰাই। এৰা, তাই তিৰোতামানুহ। কোনেও তিৰোতাক সুধি দৰা ঠিক নকৰে, মাটি-বাৰীৰ সমস্যা সমাধান নকৰে, সম্পদ-সম্পত্তি বঢ়াব নে বিলাই দিব নে উৰুৱাব বিলাসীতাত, সেই কথাও তিৰোতাক নোসোধে কোনেও। গা ভৰাই ভৰাই গহণা-কাপোৰ দিব, তিৰোতাই হাঁহিমুখে কৰি যাব সমস্ত কাম বান্দীৰ হাত দুখনিৰে।"[৩২] নাৰীয়ে নিজৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক স্থিতিৰ প্ৰতি সচেতন হোৱাটো অতি আৱশ্যক। অন্যথা এইবিলাক প্ৰসংগত নাৰীক সততেই অৱদমিত কৰি ৰখা হ'ব। ঔপন্যাসিকাই সমাজত নাৰীৰ স্থান পৰিৱৰ্তন হোৱাটো বিচাৰিছে। সেয়েহে উপন্যাসৰ কথকৰ মাধ্যমেৰে অভিপ্ৰেত পাঠকলৈ এই বাৰ্তা প্ৰেৰণ কৰিছে যাতে কোনো নাৰীয়ে অৱহেলিত হৈ নাথাকে।

ঔপন্যাসিকাৰ *বৰদোৱানী* উপন্যাসত বন্ধ্যা হ'লেও যে এগৰাকী নাৰী মূল্যহীন নহয় সেই বিষয়টোৰ ওপৰত পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিব বিচৰা হৈছে। উপন্যাসখনত বৰদোৱানী বন্ধ্যা বাবেই পৰিয়ালে পুণ্যধৰৰ দ্বিতীয় বিবাহৰ বাবে উঠিপৰি লাগিছে। বৰদোৱানীক সতিনী খাটিবলৈ বাধ্য কৰোৱা হৈছে একমাত্ৰ সন্তান জন্ম দিয়াৰ অক্ষমতাৰ বাবে। সন্তান জন্ম দিব নোৱাৰা এগৰাকী নাৰীৰ হা-হুমুনিয়াহে পাঠকৰ অন্তৰ সিক্ত কৰিছে। পুণ্যধৰৰ মাক, বায়েকহঁতে নিজে একো-একোগৰাকী নাৰী হৈও বৰদোৱানীৰ মানসিক অৱস্থাক অনুধাৱন কৰা নাই। ঔপন্যাসিকাই নাৰীৰ ওপৰত চলা এনে অবিবেচক মানসিক নিৰ্যাতনৰ পৰিৱৰ্তন বিচাৰিছে। এনেবোৰ বিষয়ত পাঠকশ্ৰেণীৰো মাজতো থকা মানসিক সংকীৰ্ণতা দূৰ কৰি তেওঁলোকৰ অন্তৰত প্ৰকৃত মানৱীয়তা জগাই তুলিবলৈ কথকৰ মাধ্যমেৰে কৈছে— "বাই শাহুৰেকৰ কথাবোৰ সাত শতৰুৰ শাওপাত যেন লাগিল। তিৰোতা জাতিৰ ভাৱনাইনে এয়া? কলৰ তলত বৰদোৱানীক আদৰি আনোতেও ভাবিছিল নেকি এওঁলোকেই এদিন, যে এই যদি ল'ৰা ওপজাব নোৱাৰে, তেন্তে সতিনী চপাই দিম। অ, সতিনী চপাই দিম।"[৩৩]

ঔপন্যাসিকাৰ *সন্ধ্যা* উপন্যাসত এইড্ছ সম্পৰ্কে মানুহক সজাগ কৰিব বিচৰা হৈছে। ঔপন্যাসিকাই সন্ধ্যাৰ জৰিয়তে এই সম্পৰ্কত নিজৰ স্থিতি পাঠকৰ ওচৰলৈ লৈ গৈছে। উপন্যাসখনত সন্ধ্যাৰ প্ৰসংগত কথকে কৈছে— "মনে প্ৰাণে তায়ো বিচাৰিছিল— এই দুৰাৰোগ্য ৰোগক প্ৰতিৰোধ কৰিবলৈ সময় থাকোঁতেই মানুহবোৰ সজাগ হওক।"[৩৪] এইড্ছ এবিধ দুৰাৰোগ্য ৰোগ হ'লেও ই

সংক্ৰামক নহয়। সাধাৰণভাবে এইড্‌ছ ৰোগীৰ সংস্পৰ্শত আহিলেই এই ৰোগ ইজনৰ দেহৰপৰা আন এজনৰ দেহলৈ নিবিয়পে। এই ৰোগ সংক্ৰমণৰ কেতবোৰ নিৰ্দিষ্ট কাৰণ আছে। উপন্যাসখনত ৰোগৰ লগতে ৰোগৰ কাৰণসমূহো পাঠকৰ সুবিধাৰ বাবে ঔপন্যাসিকাই ফঁহিয়াই দেখুৱাইছে। এনেধৰণৰ বিষয়ৰ প্ৰতি আমাৰ সামাজিক সচেতনতা অতি কম। উপন্যাসখনত মানুহৰ উপযুক্ত জ্ঞান তথা সচেতনতাৰ অভাৱৰ দিশটো উপস্থাপন কৰা হৈছে। পাৰ্থৰ জৰিয়তে গৰ্ভৱতী সন্ধ্যাৰ দেহতো এইড্‌ছৰ ভাইৰাছ পোৱাত হস্পিতালত চিকিৎসাধীন হৈ থকা সন্ধ্যাৰ ওচৰৰপৰা আত্মীয়-স্বজন সকলো আঁতৰি গৈছিল। এইড্‌ছত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰা পাৰ্থৰ অন্তিম সৎকাৰ সন্ধ্যাই অকলেই কৰিবলগীয়া হৈছিল। এইড্‌ছ সম্পৰ্কে সঠিক আৰু উপযুক্ত জ্ঞানৰ অভাৱৰ বাবেই কোনেও তেওঁলোকৰ কাষ চপা নাছিল। আত্মীয়-স্বজনৰ এনে আচাৰ-আচৰণে সন্ধ্যাৰ অন্তৰত আঘাত হানিছিল। মানুহে পোষণ কৰি থকা এনেধৰণৰ মানসিকতাৰ বাবে বিপদৰ সময়ত সন্ধ্যাই কাৰোৰেপৰা সহায় পাবলৈ সক্ষম হোৱা নাই। আনকি পৰৱৰ্তী সময়তো হস্পিতাল কৰ্তৃপক্ষই গোপনীয়তা ৰক্ষা কৰিহে সন্ধ্যাৰ চিকিৎসাৰ ব্যৱস্থা কৰিছিল। মানুহে এইড্‌ছ আক্ৰান্ত ৰোগী তথা ৰোগীৰ পৰিয়ালক সম্পূৰ্ণৰূপে অস্পৃশ্য জ্ঞান কৰে। মানুহৰ এনে মানসিকতাৰ বাবেই ৰোগীয়ে নিজকে মানুহ তথা সমাজৰ আঁৰত ৰাখিবলৈ বাধ্য হয়। এনে বিষয়ত জনসচেতনতা অতি আৱশ্যক। এগৰাকী সমাজ সচেতক লেখিকা হিচাপে ঔপন্যাসিকাই এনেদৰেই তেওঁৰ অভিপ্ৰেত পাঠকৰ মন-মানসিকতা মুকলি কৰাৰ প্ৰয়াস কৰিছে।

*সন্ধ্যা* উপন্যাসত পাৰ্শ্ব চৰিত্ৰ চাবেৰাৰ যোগেদি ঔপন্যাসিকাই আনৰ কথামতে পৰিচালিত হৈ নাৰীয়ে জীৱনৰ সকলো আশা-আকাংক্ষা ত্যাগ কৰিবলগীয়া হোৱা কথাটোৰেই পাঠকক ক'ব বিচাৰিছে। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাই নিৰ্ধাৰণ কৰি দিয়া আদৰ্শ নাৰী হ'বলৈ গৈ নাৰীয়ে নিজৰ জীৱনৰ স্বতন্ত্ৰতাক বিসৰ্জন দিবলগীয়া হয়। বিশেষকৈ নিজৰ ইচ্ছাৰ বিৰুদ্ধে পৰিয়ালে নিৰ্ধাৰণ কৰা বিয়া-বাৰুৰ প্ৰসংগই নাৰীৰ জীৱন দুৰ্বিসহ কৰি তোলে। উপন্যাসখনত সন্ধ্যা আৰু চাবেৰা এনে দুগৰাকী ভুক্তভোগী নাৰী। সমাজত প্ৰচলিত মতাদৰ্শগত স্থিতিয়ে নাৰীৰ স্বাধীনতা খৰ্ব কৰাত বিশেষভাৱে ক্ৰিয়া কৰে। উপন্যাসখনত চাবেৰাই সন্ধ্যাক কৈছে—"ঃ.... কেনেকুৱা জীৱন আছিল আমাৰ, কি হৈ গ'ল। এইবোৰৰ মূলতে আমাৰ বিয়া....। ঘৰৰ মানুহক সুখী কৰিবলৈ গৈয়ে যে আমি আল্লাই পঠিয়াই দিয়াজনকো বিট্ৰে কৰি আনৰ স'তে নিকাহত বহো; এইখিনিতেই আমি ছোৱালীবোৰে মস্ত ভুল কৰি পেলাও।"[৩৫] চাবেৰাৰ মাধ্যমেৰে ঔপন্যাসিকাই নাৰী অৱদমনৰ লগত জড়িত নিজস্ব মতামত পাঠকৰ ওচৰলৈ লৈ গৈছে।

উপন্যাসত সংলাপৰ সমান্তৰালভাৱে সাধাৰণ পৰ্যবেক্ষণো থাকে। বিষয় তথা ঘটনা সম্পৰ্কত বৰ্ণনাৰ মাজতে এক সাধাৰণ পৰ্যবেক্ষণ দাঙি ধৰা হয়। উপন্যাসত সাধাৰণ পৰ্যবেক্ষণ বহুসময়ত কথক আৰু লেখকে কৰে। সাধাৰণ পৰ্যবেক্ষণো লেখকৰ বাৰ্তা পাঠকৰ ওচৰলৈ লৈ যোৱাৰ এটি কৌশল। ঔপন্যাসিকাৰ *বন্ধ ঘৰৰ খিৰিকী* উপন্যাসত বৃদ্ধ অৱস্থাত পৰিয়াল তথা আত্মীয়-স্বজনৰ দ্বাৰা অৱহেলিত পিতৃ-মাতৃৰ মানসিক অৱস্থাৰ বৰ্ণনা সাধাৰণ পৰ্যবেক্ষণৰ জৰিয়তেও কৰা হৈছে। আত্মীয়-স্বজনৰ দ্বাৰা পৰিত্যক্তা নিৰ্মলাৰ দৰে এনে বহু পুৰুষ-নাৰীয়ে বৃদ্ধাৱস্থাৰ শেষ আশ্ৰয় হিচাপে বৃদ্ধাশ্ৰমক গ্ৰহণ কৰে। উপন্যাসখনত এই গভীৰ বিষয়টো সম্পৰ্কত সাধাৰণ পৰ্যবেক্ষণ কৰি কোৱা হৈছে এনেদৰে— "নাই নাই, এনেদৰেতো মৃত্যুৰ বাবে অপেক্ষা কৰা নাযায়। আওপুৰণি শৰীৰবোৰৰ ভিতৰত মনবোৰো আধামৰা হৈ পৰি থকাতকৈ মানুহৰ সংগ বিচাৰি বৃদ্ধসকলে আশ্ৰয় লয়হি বৃদ্ধাশ্ৰমতে। য'ত মনৰ শান্তি, মানুহৰ সংগৰ উপৰি লাভ কৰে শাৰীৰিক পৰিচৰ্যা।"[৩৬]

লেখকৰ সৈতে পাঠৰ সম্পৰ্ক, লেখকৰ সৈতে পাঠকৰ সম্পৰ্কৰ লেখিয়াকৈ **পাঠৰ সৈতে পাঠকৰ সম্পৰ্ক**ও অন্য এটি গুৰুত্বপূৰ্ণ প্ৰসংগ। পাঠ এটা সৃষ্টি কৰি পাঠক সমাজলৈ উলিয়াই দিয়াৰ পিছত লেখক তাত উপস্থিত নাথাকে। সেই সময়ছোৱাত পাঠ আৰু পাঠকৰ মাজতহে এক সম্পৰ্ক গঢ় লৈ উঠে। যিকোনো বিষয়ৰ পাঠৰ সৈতে পাঠক মানসিকভাৱে সংপৃক্ত হ'ব নোৱাৰে। ঐতিহাসিক ঘটনা বা ৰাজনৈতিক ঘটনাক মূল বিষয় হিচাপে লৈ ৰচনা কৰা উপন্যাসতকৈ দৈনন্দিন জীৱনত ঘটি থকা ঘটনা তথা সামাজিক বিষয়সমূহক লৈ ৰচনা কৰা উপন্যাসৰ সৈতে পাঠক মানসিকভাৱে অধিক সংপৃক্ত হৈ পৰা পৰিলক্ষিত হয়। কিয়নো এইধৰণৰ বিষয়সমূহ পাঠক সমাজৰ অতি পৰিচিত। নিজৰ ব্যক্তিগত জীৱনত সংঘটিত ন'হলেও সমাজত সচৰাচৰ দেখি থকা বিষয়ে পাঠকক সহজে আকৰ্ষিত কৰি তোলে। যেতিয়া নিজৰ চিনাকী বিষয়বোৰ পাঠত পোৱা যায় তেতিয়া সেইবোৰৰ প্ৰতি পাঠকে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। সমাজ জীৱনৰ সৈতে সম্পৰ্ক নথকা বিষয়বোৰতকৈ সামাজিক তথা বাস্তৱ ঘটনাৰ আধাৰত ৰচিত সাহিত্যক পাঠকে বেছিকৈ আদৰি লয়। এনেক্ষেত্ৰত পাঠৰ বিষয় তথা চৰিত্ৰৰ সৈতে পাঠক একাত্ম হৈ পৰে।

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসৰ প্ৰসংগসমূহ পাঠক সমাজৰ পৰিচিত প্ৰসংগ। সমকামিতা, এইড্‌ছ, ডাইনী, বিবাহ বহিৰ্ভূত যৌন সম্পৰ্ক, বিবাহ বিচ্ছেদ আদি বিষয়সমূহ সমাজত মুক্তভাৱে আলোচনা নোহোৱা অথচ সমাজত সততেই ঘটি থকা ঘটনা। সেয়েহে এনেবোৰ বিষয়ৰ পাঠৰ লগত পাঠকৰ মনস্তাত্ত্বিক অংশগ্ৰহণ নিশ্চিতভাৱে থাকিব। এয়া হৈছে বিষয়কেন্দ্ৰিক পাঠকৰ সঁহাৰি। পাঠকৰ দৃষ্টিৰেও আমি এনেধৰণে পাঠৰ সৈতে পাঠকৰ সম্পৰ্ক বিশ্লেষণ কৰিব পাৰোঁ।

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসৰ বিষয়বস্তু, পটভূমি, চৰিত্ৰ সকলোবোৰেই সমাজৰপৰা বুটলি অনা। সেয়েহে উপন্যাসসমূহৰ লগত পাঠকে সহজে সম্পৰ্ক স্থাপন কৰিব পাৰে।

বহুসময়ত অত্যাধিক বৰ্ণনা, অতিশোয়ক্তি, অদৰকাৰী প্ৰসংগৰ উপস্থাপন, তাত্বিক কথাৰ বহুল প্ৰয়োগে বিষয়ৰ লগত পাঠকক নিবিড়ভাৱে সংযুক্ত হোৱাত বাধা প্ৰদান কৰে। ই কাহিনীৰ স্বাভাৱিক গতিশীলতাতো ব্যাঘাত জন্মায়। মণিকুন্তলা ভট্টাচাৰ্যৰ *মই ডেচডিমʼনা হʼব খোজোঁ* উপন্যাসখনত কাহিনীৰ গতিক্ৰমত স্থবিৰতা পৰিলক্ষিত হৈছে। ভ্ৰাম্যমাণ নাটকক পটভূমি হিচাপে লৈ ৰচিত উপন্যাসখনত ভ্ৰাম্যমাণ নাটকৰ সমান্তৰালভাৱে নয়নাৰ কাহিনীও আগবঢ়াই নিয়া হৈছে। নয়নাৰ জীৱন তথা মানসিক অৱস্থাৰ সৈতে পাঠক নিৰবিচ্ছিন্নভাৱে সংযুক্ত হʼব পৰা নাই। নয়নাৰ কাহিনীৰ মাজে মাজে ভ্ৰাম্যমাণ জগতৰ বিভিন্ন ঘটনা ঔপন্যাসিকাই সংযোগ কৰিছে। যাৰফলস্বৰূপে নয়নাৰ লগত মানসিকভাৱে সংপৃক্ত হʼবলৈ গৈ বাৰে বাৰে পাঠক নিৰাশ হৈ পৰিব। ইয়ে পাঠৰ লগত সংযুক্ত পাঠকৰ মনস্তাত্বিক প্ৰবাহত ব্যাঘাত জন্মাব। ঔপন্যাসিকাৰ *বন্ধ ঘৰৰ খিৰিকী* উপন্যাসতো একেবোৰ কথাৰে পুনৰাবৃত্তি হৈ থকাত পাঠক আৰু নিৰ্মলাৰ মাজত মনস্তাত্বিক সম্পৰ্ক বহুসময়ত ম্লান পৰিছে। এনেবোৰ দিশে পাঠৰ সৈতে পাঠকৰ মনস্তাত্বিক সম্পৰ্কৰ যি আঁত সেয়া হেৰাই যোৱাৰ উপক্ৰম কৰে।

**প্ৰসংগ টোকা ঃ**

১ "so any literary text that accurately describes human behavior or that is the product of an author's unconscious"– Lois Tyson. *Critical Theory Today*. পৃঃ ৩৭

২ ৰাতুল ডেকা। *সাহিত্য সমালোচনা তত্ত্ব* পৰিচয় আৰু প্ৰয়োগ। পৃঃ ৪৩

৩ প্ৰহ্লাদ কুমাৰ বৰুৱা। *উপন্যাস* । পৃঃ ৩৮

৪ ৰামমল ঠাকুৰীয়া। *সাহিত্য বিচাৰ*। পৃঃ ১১২

৫ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১২

৬ ভট্টাচাৰ্য, মণিকুন্তলা। ব্যক্তিগত সাক্ষাতকাৰ। ০৯ ফেব্ৰুৱাৰী ২০২১ ।

৭ পূৰ্বোক্ত সাক্ষাতকাৰ

৮ হেমন্ত কুমাৰ ভৰালী। সম্পা। *মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সমগ্ৰ*। প্ৰসংগ কথা,পৃঃ ২৬৬,২৬৭

৯ ভট্টাচাৰ্য, মণিকুন্তলা। ব্যক্তিগত সাক্ষাতকাৰ। ০৯ ফেব্ৰুৱাৰী ২০২১ ।

১০ পূৰ্বোক্ত সাক্ষাতকাৰ

১১ পূৰ্বোক্ত সাক্ষাতকাৰ

১২ পূৰ্বোক্ত সাক্ষাতকাৰ

১৩ পূৰ্বোক্ত সাক্ষাতকাৰ

১৪ পূৰ্বোক্ত সাক্ষাতকাৰ

১৫ পূৰ্বোক্ত সাক্ষাতকাৰ

১৬ পূৰ্বোক্ত সাক্ষাতকাৰ

১৭ পূৰ্বোক্ত সাক্ষাতকাৰ

১৮ পূৰ্বোক্ত সাক্ষাতকাৰ

১৯ পূৰ্বোক্ত সাক্ষাতকাৰ

২০ মণিকুন্তলা ভট্টাচাৰ্য। *নীলপক্ষী*। পৃঃ ২০৩

২১ ভট্টাচাৰ্য, মণিকুন্তলা। ব্যক্তিগত সাক্ষাতকাৰ। ০৯ ফেব্ৰুৱাৰী ২০২১ ।

২২ পূৰ্বোক্ত সাক্ষাতকাৰ

২৩ পূৰ্বোক্ত সাক্ষাতকাৰ

২৪ "Criteria for works, authors, and readers are closely related–so closely

that it is impossible to deal with any one of them for very long without touching on the others"– Wayne C Booth. *The Rhetoric Of Fiction*. পৃঃ ৩৯

২৫ অভিপ্ৰেত পাঠকঃ যিসকল পাঠকক উদ্দেশ্য কৰি লেখকে সাহিত্যৰ পাঠ একোটা সৃষ্টি কৰে সেই পাঠক শ্ৰেণীয়ে হৈছে পাঠটোৰ অভিপ্ৰেত পাঠক। অৰ্থাৎ, কবিতা, চুটিগল্প, উপন্যাস, নাটক আদি সৃষ্টিশীল  সাহিত্য ৰচনা কৰাৰ পূৰ্বে সাহিত্যিকসকলে কাৰ বাবে লিখিব সেয়া নিৰ্দিষ্ট কৰি লয়। সেই অনুসৰি পাঠক শ্ৰেণীৰ পটভূমি, পৰিৱেশ পাৰিপাৰ্শ্বিকতা, মনস্তত্ত্বক উপলক্ষ্য কৰি পাঠটো সৃষ্টি কৰা হয়।

২৬ "Peter Rabinowitz, for example, makes a compelling case for distinguishing three kinds of implied reader from the actual readers who pick up any printed tale and begin reading it (sec Nos. 607 and 715-19). There is, first, what Rabinowitz calls the "authorial audience", "the author's hypothetical audience"– the readers who are implied by all that the author says or does not say in making the works accessible, particularly in making its factual base intelligible."— পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৪২২

২৭ "....Psychoanalysis and reader-response theory overlap in many ways concerning their attention to the Psychological experience of the reader."– Lois Tyson. *Critical Theory Today*. পৃঃ ৩৪

২৮ ভট্টাচাৰ্য, মণিকুন্তলা। ব্যক্তিগত সাক্ষাতকাৰ। ০৯ ফেব্ৰুৱাৰী ২০২১ ।

২৯ মণিকুন্তলা ভট্টাচাৰ্য। *মই ডেচডিমʼনা হʼব খোজোঁ*।পৃঃ ৬৪

৩০ মণিকুন্তলা ভট্টাচাৰ্য। *অনুৰোধ*।পৃঃ ৯৩

৩১ মণিকুন্তলা ভট্টাচাৰ্য। *যমুনা*। পৃঃ ১০১

৩২ মণিকুন্তলা ভট্টাচাৰ্য। *বাঁহী* । পৃঃ ৮০,৮১

৩৩ মণিকুন্তলা ভট্টাচাৰ্য। *বৰদোৱানী*। পৃঃ ২২

৩৪ মণিকুন্তলা ভট্টাচাৰ্য। *সন্ধ্যা*। পৃঃ ৪৭

৩৫ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৪৯

৩৬ মণিকুন্তলা ভট্টাচাৰ্য। *বন্ধ ঘৰৰ খিৰিকী*। পৃঃ২১০